# DECLARATION

I, **Smt. Upashana Choudhury**, bearing Registration No.: Final/ ASS00304 of 2019-2020 a Research Scholar under Bodoland University, Kokrajhar, Assam have written and submitted the thesis entitled ‘বৰপেটা জিলাৰ লোকশিল্প ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন’ **(BARPETĀ JILĀR LOKAŚHILPA : ETI BIŚHLEṢHAṆĀTMAK ADHYAYAN)** under the guidance of Dr. Daisy Rani Deka, Assistant Professor, Department of Assamese, Bodoland University, Kokrajhar for the fulfillment of the requirements of the degree of Doctor of Philosophy. I declare that this is my original research work. The thesis has not been submitted to any other University or Institution for any other research degree or award.

Upashana Choudhury

Date : 22/7/2024

Place : Kokrajhar

**(Upashana Choudhury)**
Research Scholar
Department of Assamese
Bodoland University, Kokrajhar

**Dr. Daisy Rani Deka**
Assistant Professor
Department of Assamese
Bodoland University, Kokrajhar
Contact No. 8822486652
E-mail : daisyneelabh27@gmail.com

Research Guide
Department of Assamese
Bodoland University
Kokrajhar- 783370

***Ref.:***........................... ***Date***...22/7/2024

# TO WHOM IT MAY CONCERN

This is to certify that the thesis entitled 'বৰপেটা জিলাৰ লোকশিল্প ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন' **(BARPETĀ JILĀR LOKAŚHILPA : ETI BIŚHLEṢHAṆĀTMAK ADHYAYAN)** written and submitted by **Smt. Upashana Choudhury,** Research Scholar, Department of Assamese, Bodoland University, Kokrajhar for the fulfillment of the requirements of the degree of Doctor of Philosophy, is a record of original research work done by her under my guidance and supervision. She has fulfilled all the formalities and requirements as laid down in the Ph. D. regulations of the University.

To the best of my knowledge, the thesis as a whole or part of it has not been submitted to any other University or Institution for any research degree and award.

Date : 22/7/2024

Place : Kokrajhar

**(Dr. Daisy Rani Deka)**
Assistant Professor,
Department of Assamese,
Bodoland University, Kokrajhar

Dr. Daisy Rani Deka
Research Guide
Department of Assamese
Bodoland University, Kokrajhar

# পাতনি

শিল্পই একোটা জাতি তথা সম্প্ৰদায়ৰ সৃজনী-প্ৰতিভা, বুদ্ধি আৰু দক্ষতাৰ প্ৰকাশ ঘটোৱাৰ লগতে সংশ্লিষ্ট লোকসকলৰ জীৱন-ধাৰণৰ মান প্ৰতিফলিত কৰে। একেদৰে যুগ যুগ ধৰি লোক-সমাজৰ মাজত পৰম্পৰাগতভাৱে নিৰ্মিত তথা বিকশিত শিল্পসমূহৰ মাজতো সংশ্লিষ্টসকলৰ দৃষ্টি-দৰ্শন, বিশ্বাস-সংস্কাৰ, আশা-আকাংক্ষা আদিৰ উমান পোৱা যায়। তদুপৰি একোখন লোক-সমাজৰ মাজত প্ৰচলিত লোকশিল্পসমূহৰ জৰিয়তে নিৰ্দিষ্ট সমাজখনৰ চৌপাশৰ ভৌগোলিক-প্ৰাকৃতিক পৰিৱেশ তথা অৱস্থিতিৰো আভাস পাব পাৰি। সামগ্ৰিক অৰ্থত লোকশিল্পসমূহ হৈছে একোখন সমাজৰ আবেগ-অনুভূতি, সৌন্দৰ্য-চেতনা, প্ৰাকৃতিক পৰিৱেশ, সাংস্কৃতিক মূল্যবোধ, ৰুচি-অভিৰুচি, বিশ্বাস, আচাৰ-আচৰণ, ঐতিহ্য তথা পৰম্পৰাৰ মূৰ্ত প্ৰকাশ। সংস্কৃতিৰ সমকালীন ৰূপ তথা বাস্তৱ পৰিস্থিতিৰ প্ৰকাশক্ষম লোকশিল্পসমূহ একোটা জাতি তথা সম্প্ৰদায়ৰ অমূল্য সম্পদস্বৰূপ। এনে কাৰণতে লোকশিল্পৰ অধ্যয়ন আৰু বিশ্লেষণ সাম্প্ৰতিক গৱেষণাৰ ক্ষেত্ৰখনত এক বিশেষ গুৰুত্বপূৰ্ণ দিশ হিচাপে বিবেচনা কৰা হয়।

অসমৰ সংস্কৃতিৰ ক্ষেত্ৰখনত বৰপেটা জিলাৰ এক সুকীয়া স্থান আছে। খ্ৰীষ্টীয় পঞ্চদশ শতিকাতে দুজনা গুৰু আৰু তেওঁলোকৰ শিষ্য-প্ৰশিষ্যসকলৰ নেতৃত্ব আৰু পৃষ্ঠপোষকতাত সৃষ্টি হোৱা সাংস্কৃতিক আলোড়নৰ প্ৰত্যক্ষ সান্নিধ্য লভা এই অঞ্চলটোৰ সাংস্কৃতিক ক্ষেত্ৰখনে সেই সময়ৰ পৰাই বিশেষ তাৎপৰ্য বহন কৰি আহিছে। নৱ-বৈষ্ণৱ ধৰ্ম তথা সত্ৰীয়া সংস্কৃতিৰ চৰ্চা আৰু বিকাশৰ প্ৰধান কেন্দ্ৰ বৰপেটা জিলাৰ সত্ৰানুষ্ঠানসমূহত কেতবোৰ লোকশিল্পৰ নিৰ্মাণ আৰু প্ৰচলন বিশেষ মৰ্যাদাৰে চলি আছে। এই ক্ষেত্ৰত গুৰু-আসন শিল্প, সত্ৰীয়া ভাস্কৰ্য, সত্ৰীয়া বাদ্য, আতচ্‌বাজী শিল্প আদি শিল্পসমূহৰ কথা উল্লেখ কৰিব পাৰি। ধৰ্মীয় আৰু আধ্যাত্মিক চেতনাৰ বিকাশ আৰু পৰিপুষ্টিত এই শিল্পবস্তুসমূহৰ অৰিহণা অশেষ।

বৰপেটা জিলাৰ অন্তৰ্গতভাৱে সৰ্থেবাৰী অঞ্চল কাঁহ-পিতল শিল্পৰ বাবে বিশেষভাৱে প্ৰখ্যাত। অঞ্চলটোত নিৰ্মিত কাঁহ-পিতলৰ শিল্পবস্তুসমূহ, যেনে ঃ কাঁহী-বাটি, বানকাঁহী-বানবাটি, ঘটী, শৰাই,

বটা, বৰতাল, ভোৰতাল, খুটিতাল আদিসমূহে সমগ্ৰ অসমৰ চাহিদা পূৰণ কৰাৰ লগতে অসমৰ বাহিৰলৈও সেই শিল্পবস্তুসমূহ ৰপ্তানি কৰা হয়। একেদৰে সোণ-ৰূপ-তাম আদিৰ আ-অলংকাৰ আৰু অন্যান্য ধাতুকেন্দ্ৰিক লোকশিল্পৰ নিৰ্মাণৰ ক্ষেত্ৰতো জিলাখনৰ সুকীয়া স্থান আছে।

এই শিল্পবস্তুবোৰৰ উপৰি অসমৰ হাতীদাঁতৰ শিল্পবস্তু নিৰ্মাণৰ একমাত্ৰ ঐতিহ্য বহনকাৰী হিচাপে বৰপেটা জিলাৰ লোকশিল্পীসকল বিশেষ গৌৰৱৰ অধিকাৰী। সম্প্ৰতি এই শিল্পটোৱে ভয়াবহ অস্তিত্বৰ সংকটত ভুগিব লগা পৰিস্থিতি এটাৰ মুখামুখি হৈছেহি। আনহাতে মৃৎ শিল্প, বাঁহ-বেত-কাঠ শিল্প, বয়ন শিল্প আদি প্ৰাকৃতিক সমলৰ সহায়ত তৈয়াৰী শিল্পসমূহৰ ক্ষেত্ৰতো বৰপেটা জিলাই বিশেষ স্বকীয়তা দাবী কৰিব পাৰে। উল্লিখিত প্ৰত্যেকবিধ লোকশিল্পই বৰপেটাৰ লগতে অসমৰ লোকশিল্পৰ ক্ষেত্ৰখনক সমৃদ্ধ কৰি ৰাখিছে।

লোকশিল্পৰ ক্ষেত্ৰত বৰপেটা জিলাৰ এনে সমৃদ্ধ ঐতিহ্যৰ প্ৰতি দৃষ্টি ৰাখি তথা গৱেষণামূলক দৃষ্টিভংগীৰে লোকশিল্পৰ অধ্যয়ন-বিশ্লেষণৰ গুৰুত্ব আৰু তাৎপৰ্য উপলব্ধি কৰি এই গৱেষণাৰ বিষয়-ক্ষেত্ৰ হিচাপে 'বৰপেটা জিলাৰ লোকশিল্প'ৰ ক্ষেত্ৰখনক বাছনি কৰি লোৱা হয়। বিষয়ৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় গৱেষণা সমিতিয়েও 'বৰপেটা জিলাৰ লোকশিল্প ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন' —এই বিষয়টোত অধ্যয়নৰ বাবে অনুমোদন জনায়। বিষয়-অধ্যয়নৰ অন্তৰ্গতভাৱে এই গৱেষণাত বৰপেটা জিলাত পৰম্পৰাগতভাৱে নিৰ্মাণ হৈ অহা লোকশিল্পসমূহত ব্যৱহৃত কেঁচা-সামগ্ৰী অনুসৰি এইবোৰক সুকীয়া সুকীয়া শিতান তথা অধ্যায়ত বিভক্ত কৰা হৈছে। এই ক্ষেত্ৰত লোকশিল্পৰ তাত্ত্বিক অধ্যয়নৰ আধাৰত প্ৰত্যেকবিধ লোকশিল্পৰ সামগ্ৰিক পৰিচয়, শিল্পসমূহৰ ইতিহাস, নিৰ্মাণ-পদ্ধতি, নিৰ্মাণৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা কেঁচা-সামগ্ৰী তথা সঁজুলি, নিৰ্মাণৰ সৈতে জড়িত শিল্পীসকল, অৰ্থনৈতিক তথা স্বনিয়োজনৰ ক্ষেত্ৰত লোকশিল্পসমূহৰ ভূমিকা, লোক-সংস্কৃতিৰ ক্ষেত্ৰত এই লোকশিল্পবোৰৰ গুৰুত্ব আৰু তাৎপৰ্য, লোকশিল্পসমূহত ব্যৱহৃত ৰূপাঙ্গ (Motif) আদি দিশসমূহক অধ্যয়ন-পৰিসৰত সামৰি লোৱা হৈছে।

আনহাতে সাম্প্ৰতিক বিজ্ঞান-প্ৰযুক্তিনিৰ্ভৰ যুগত এই লোকশিল্পসমূহৰ অস্তিত্বৰ প্ৰসংগও বিশেষ আলোচনাৰ বিষয়। সময়ৰ লগে লগে হোৱা আৰ্থ-সামাজিক দ্ৰুত পৰিৱৰ্তনৰ পৰিপ্ৰেক্ষিতত এই লোকশিল্পবোৰৰ প্ৰচাৰ-প্ৰসাৰৰ যিদৰে সুবিধা আছে, সেইদৰে বহিৰাগত সস্তীয়া বিকল্প অন্যান্য সামগ্ৰীবোৰেও লোকশিল্পৰ ক্ষেত্ৰখনলৈ ভাবুকি কঢ়িয়াই আনিছে। এনে দিশৰ প্ৰতি দৃষ্টি ৰাখি সেয়ে এই গৱেষণাত অধ্যয়নাৰ্থ লোকশিল্পবোৰৰ সাম্প্ৰতিক আৰু ভৱিষ্যতৰ সম্ভাৱনীয় স্থিতি উদ্‌ঘাটনৰ

বাবেও চেষ্টা কৰা হৈছে। কাৰণ প্ৰয়োজনবিহীনভাৱে কোনেও পৰম্পৰাৰ স্বাৰ্থত লোকশিল্পৰ চৰ্চা অব্যাহত নাৰাখে। সামগ্ৰিকভাৱে এই অধ্যয়নৰ জৰিয়তে বৰপেটা জিলাৰ লোকশিল্পসমূহৰ বিষয়ে পুংখানুপুংখ পৰিচয় লাভ কৰাৰ লগতে এইসমূহৰ স্থিতি সম্পৰ্কীয় এখনি স্পষ্ট ছবি দাঙি ধৰিব বুলি আশা কৰা হৈছে। তদুপৰি লোকশিল্পসমূহৰ প্ৰচাৰ-প্ৰসাৰ, সংৰক্ষণ-সংবৰ্ধন আৰু এইবোৰৰ চৰ্চাৰ প্ৰতিও সংশ্লিষ্ট শিল্পীসকলক এই অধ্যয়নে উৎসাহিত কৰিব বুলি আশা কৰিব পাৰি। লগতে এইবোৰৰ সংৰক্ষণ আৰু পোষণৰ বাবে কেতবোৰ নীতি, পৰিকল্পনা তথা সমুচিত ব্যৱস্থা গ্ৰহণ কৰাৰ ক্ষেত্ৰতো এই গৱেষণা-কৰ্মটি সহায়ক হোৱাৰ অৱকাশ আছে।

Upashana Choudhury
**(উপাসনা চৌধুৰী)**
অসমীয়া বিভাগ
বড়োলেণ্ড বিশ্ববিদ্যালয়,
কোক্ৰাঝাৰ- ৭৮৩৩৭০

# কৃতজ্ঞতা স্বীকাৰ

*বৰপেটা জিলাৰ লোকশিল্প ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন* শীৰ্ষক গৱেষণা-কৰ্মটোৰ বিষয়-নিৰ্বাচনৰ পৰা আৰম্ভ কৰি অধ্যয়নৰ কালছোৱাত সন্মুখীন হোৱা প্ৰতিটো সমস্যা দূৰ কৰাৰ ক্ষেত্ৰত আৰু মোক উৎসাহ-উদ্দীপনা যোগাই গৱেষণা-কৰ্মটো সাকাৰ ৰূপ প্ৰদানৰ ক্ষেত্ৰত বিভিন্নজনে অনেক সহায়-সহযোগিতা যোগাই মোক বাধিত কৰিছে। সেইসকলৰ ভিতৰত প্ৰথমেই নাম ল'ব লাগিব বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক তথা মোৰ গৱেষণা-গুৰু, তত্ত্বাৱধায়ক ড° ডেইজী ৰাণী ডেকাৰ। তেখেতে গৱেষণাৰ প্ৰতিটো সমস্যাৰ বুজ লৈ প্ৰয়োজনীয় দিহা-পৰামৰ্শ আৰু প্ৰেৰণাৰে মোক অধ্যয়নৰ বাটত আগুৱাই যোৱাত অশেষ সহায়-সহযোগিতা আগবঢ়ালে। মোৰ জীৱনত বাইদেৱে আগবঢ়োৱা এই অৰিহণাৰ বাবে তেখেতৰ ওচৰত মই আজীৱন ঋণী হৈ থাকিম। এই সুযোগতে বাইদেউলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম আৰু কৃতজ্ঞতা জনাইছোঁ।

গৱেষণা-কৰ্মৰ সময়ছোৱাত মোৰ কৰ্মৰ অগ্ৰগতিৰ খা-খবৰ লৈ উৎসাহিত কৰা তথা বিভিন্ন দিহা-পৰামৰ্শৰে মোৰ অধ্যয়ন-কৰ্মক ত্বৰান্বিত কৰি কৃতাৰ্থ কৰা বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সন্মানীয় বিভাগীয় মুৰব্বী ড° চুমি কলিতা বাইদেউৰ লগতে বিভাগৰ শিক্ষাগুৰুসকল ক্ৰমে ড° বিভূতি লোচন শৰ্মা ছাৰ, ড° ৰাতুল ডেকা ছাৰ আৰু দীপামণি বৈশ্য বাইদেউলৈ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ।

মোৰ জীৱন-বাটৰ পথ-প্ৰদৰ্শকৰ ভূমিকা পালন কৰা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক দীপালী ডেকা বাইদেউ আৰু হাউলী ডায়েটৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° কুলৰঞ্জন ডেকা ছাৰলৈও এই আপাহতে কৃতজ্ঞতা জনালোঁ। চিলাৰায় মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° উমেশ দাস ছাৰে বিভিন্ন দিহা-পৰামৰ্শৰে আমাক উৎসাহ প্ৰদান কৰাৰ বাবে তেওঁলৈও কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ।

গৱেষণা কৰ্মৰ সময়ছোৱাত বিভিন্নধৰণে সহায়-সহযোগিতা আগবঢ়াই কৃতাৰ্থ কৰা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ ড° প্ৰকাশ শৰ্মা ছাৰৰ লগতে অসমীয়া বিভাগৰ একালৰ

অধ্যাপক ড° বাবুল দাস; ড° মণিমা কাকতি, পুষ্পজ্যোতি ওজা, পৰাগ কুমাৰ ডেকা, মনজিৎ পাঠক আৰু ড° ৰূপম বৰঠাকুৰ —সকলোলৈ মই আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ক্ষেত্ৰ অধ্যয়নৰ সময়ত বিভিন্ন ধৰণে সহায়-সহযোগ আগবঢ়োৱা স্বৰ্গীয় গোকুল পাঠক, অক্ষয় কুমাৰ মিশ্ৰ ছাৰ, মনোজ কুমাৰ দাস, সন্দিপন দাস, মৃণাল পি. জ্যোতি দাদালৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। লগতে যাৱতীয় তথ্যৰে আমাক সমৃদ্ধ কৰা প্ৰতিগৰাকী লোকশিল্পীলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ।

বিভিন্ন দিহা-পৰামৰ্শ আৰু সহায়-সহযোগিতাৰে আমাক উৎসাহ প্ৰদান কৰা ড° গকুল গগৈ আৰু ভাইটী ধ্ৰুৱজিৎ তহবিলদাৰলৈও অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে বান্ধৱী লুনা বৰা, সাগৰিকা দাস, নিবেদিতা দাস আৰু বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ প্ৰতিগৰাকী গৱেষক-সতীৰ্থলৈও আন্তৰিক ধন্যবাদ জনালোঁ।

ডি.টি.পি. তথা কাৰিকৰী দিশত সহায় আগবঢ়োৱা ধনঞ্জয় দাস আৰু ধ্ৰুৱ জ্যোতি দাসৰ লগতে হাচান দালৈও আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। যি দুগৰাকী ব্যক্তিয়ে সপোন দেখুওৱাৰ লগতে মোৰ কৰ্ম আৰু উদ্দেশ্যক আগুৱাই নিবলৈ অক্লান্ত পৰিশ্ৰম, যত্ন আৰু কষ্ট স্বীকাৰ কৰিছে, সেই দুগৰাকী ব্যক্তি হ'ল— দেউতা স্বৰ্গীয় দ্বিজেন চৌধুৰী আৰু মা শ্ৰীযুতা ঊষাৰাণী চৌধুৰী; তেওঁলোক দুয়োজনলৈ মোৰ ভক্তিভৰা সেৱা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে ডাঙৰ দাদা ডাঃ নীলাঞ্জন চৌধুৰী, ডাঙৰ বৌ ডাঃ ভনীতা তালুকদাৰ, সৰু দাদা হৰ্ষজিৎ চৌধুৰী, সৰু বৌ সৃষ্টিভৰসা দাস চৌধুৰী, পেহা গোবৰ্ধন দাস, পেহী চাৰু দাস চৌধুৰীৰ লগতে পৰিয়ালৰ প্ৰতিগৰাকী সদস্য আৰু মোৰ জীৱনৰ সকলো শুভাকাংক্ষীলৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

Upashana Choudhury

**(উপাসনা চৌধুৰী)**

অসমীয়া বিভাগ

বড়োলেণ্ড বিশ্ববিদ্যালয়,

কোক্ৰাঝাৰ- ৭৮৩৩৭০

# সংক্ষিপ্তীকৃত শব্দসূচী

| | | |
|---|---|---|
| অনু. | ঃ | অনুবাদ |
| পৃ. | ঃ | পৃষ্ঠা নম্বৰ |
| সম্পা. | ঃ | সম্পাদনা/সম্পাদক |
| সম্পাঃ | ঃ | সম্পাদনা/সম্পাদক |
| **Ed.** | ঃ | **Editor** |
| **p.** | ঃ | **Page Number** |
| **pp.** | ঃ | **Page Numbers** |
| **Web.** | ঃ | **Website** |

# ০.০ অৱতৰণিকা

০.১ বিষয়ৰ পৰিচয়

০.২ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য

০.৩ অধ্যয়নৰ গুৰুত্ব

০.৪ অধ্যয়নৰ ক্ষেত্ৰ আৰু পৰিসৰ

০.৫ অধ্যয়নৰ পদ্ধতি

০.৬ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা

# ০.০ অৱতৰণিকা

**০.১ বিষয়ৰ পৰিচয় ঃ**

শিল্প ভৌতিক সংস্কৃতিৰ এক উল্লেখযোগ্য উপাদান। ই মানৱ-জীৱন প্ৰবাহৰ সৈতে নিবিড়ভাৱে জড়িত। শিল্পৰ মাজেৰে মানুহৰ সৃজনীশীলতা, কলাসুলভ মনোভাৱ, চিন্তা-চেতনা, বুদ্ধি আৰু দক্ষতাই প্ৰকাশ লাভ কৰে। আদিম কালত মানুহে দৈনন্দিন জীৱনত প্ৰয়োজন হোৱা বিভিন্ন সা-সঁজুলি, বয়-বস্তু আদি নিজা কল্পনা আৰু প্ৰতিভাৰে নিৰ্মাণ কৰিছিল। সভ্যতাৰ বিৱৰ্তন আৰু উত্তৰণৰ লগে লগে মানুহৰ চিন্তা-চেতনা, বুদ্ধি আৰু দক্ষতাৰ বিকাশ সাধন হ'ল। ইয়াৰে পৰিণতিস্বৰূপে মানুহৰ মনোজগতত নতুন নতুন সৃষ্টিৰ বাট মুকলি হ'ল আৰু সেই সৃষ্টিসমূহে গোষ্ঠী বা সম্প্ৰদায় অনুসৰি পৰম্পৰাগত ৰূপ লাভ কৰিলে। এনেদৰে ক্ৰমবিৱৰ্তনৰ ফলত মানুহৰ নিত্য ব্যৱহাৰ্য প্ৰায়বোৰ বস্তু, সা-সঁজুলি আদি শিল্পৰ পৰ্যায়লৈ উন্নীত হ'ল। ব্যাৱহাৰিক প্ৰয়োজনীয়তাৰ লগতে মানসিক পৰিতৃপ্তি লাভৰ বাসনাও শিল্প সৃষ্টিৰ প্ৰক্ৰিয়াৰ সৈতে জড়িত হৈ পৰিল।

সাধাৰণতে চৌপাশৰ প্ৰাকৃতিক পৰিৱেশত উপলব্ধ বিভিন্ন উপকৰণ তথা সামাজিক অৱস্থিতিৰ ভিত্তিত মানুহে এনেবোৰ শিল্পবস্তু বা সা-সঁজুলি নিৰ্মাণ কৰে। সেয়েহে একোখন সমাজত উপলব্ধ তথা নিৰ্মিত শিল্পবস্তুসমূহৰ জৰিয়তে সেই সমাজৰ আবেগ-অনুভূতি, সৌন্দৰ্য-চেতনা, পৰিৱেশ-পৰিস্থিতিগত কাৰক, সাংস্কৃতিক মূল্যবোধ, আচাৰ-আচৰণ, ৰুচিবোধ আদিৰ উমান পোৱা যায়। দৰাচলতে শিল্পই নিৰ্দিষ্ট সমাজ তথা সংস্কৃতিৰ সমকালীন বাস্তৱতাৰ প্ৰকাশ ঘটায়। লগতে সমাজ-সংস্কৃতিৰ মান তথা স্তৰৰো ই পৰিচয় জ্ঞাপন কৰে। শিল্পই বিভিন্ন ক্ষেত্ৰক সামৰি ল'ব পাৰে। সংগীত, নৃত্য, নাট্য, চিত্ৰ আদি সকলো ইয়াৰ পৰিসৰৰ অন্তৰ্ভুক্ত। প্ৰকাশ বা সৃষ্টিৰ মাধ্যম অনুসৰি সামগ্ৰিকভাৱে কলা দুই প্ৰকাৰৰ — চাক্ষুষ বা দৃষ্টিগ্ৰাহ্য কলা (Visual Art) আৰু পৰিৱেশ্য কলা (Performing Art)। চিত্ৰ, স্থাপত্য, ভাস্কৰ্য, খোদনশিল্প আদি চাক্ষুষ বা দৃষ্টিগ্ৰাহ্য কলা। অন্যহাতে সংগীত, নৃত্য, নাট্য আদিবোৰ পৰিৱেশ্য কলা। শিল্পৰ সৈতে চাক্ষুষ বা দৃষ্টিগ্ৰাহ্য কলাৰ সমন্বয় ঘটিছে। অৰ্থাৎ যি কৰ্মত চাক্ষুষ কলাৰ সমন্বয় সাধন হৈছে, তাকে শিল্প হিচাপে অভিহিত কৰিব পাৰি। শিল্পৰ সৈতে সৌন্দৰ্যবোধ আৰু নান্দনিকতাৰ নিবিড় সম্পৰ্ক আছে।

নির্দিষ্ট এক ভৌগোলিক পৰিৱেষ্টনৰ মাজত বসবাস কৰি থকা গ্ৰাম্য, চহা, অনাখৰী বা সামান্যভাৱে লিখা-পঢ়া জনা কৃষিজীৱী একোটা মানৱ-গোষ্ঠী; যিয়ে সুদীৰ্ঘ কাল জুৰি জাতিগত একোটা প্ৰাচীন ঐতিহ্য বা পৰম্পৰা বহন কৰি থাকে, সেই মানৱ-গোষ্ঠীকে 'লোক' বুলি অভিহিত কৰিব পাৰি। গতিকে গ্ৰাম্য, অনাখৰী বা চহা শৈল্পিক মনৰ লোকে বাস্তৱিক বা প্ৰাত্যহিক জীৱনৰ প্ৰয়োজনাৰ্থে প্ৰাকৃতিক উপকৰণৰ সহায়ত যিবোৰ শিল্প সৃজন কৰে, সেইবোৰ শিল্পকে 'লোকশিল্প' বোলা হয়। লোকশিল্পৰ মাজত গ্ৰাম্য জীৱন-দৰ্শন তথা গ্ৰাম্য সমাজ-ভাৱনা প্ৰতিফলিত হয়। ইয়াৰ জৰিয়তে সংশ্লিষ্ট সমাজৰ পাৰিপাৰ্শ্বিক অৱস্থা, লোকবিশ্বাস, আচাৰ-আচৰণ, পৰম্পৰা, ঐতিহ্য আদিৰ আভাস পোৱা যায়।

নামনি অসম তথা সমগ্ৰ অসমৰে কলা-সাহিত্য-সংস্কৃতিৰ ইতিহাসত বৰপেটা জিলাৰ এক বিশেষ স্থান আছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱকে প্ৰমুখ্য কৰি শ্ৰীশ্ৰীমাধৱদেৱ, গদ্য সাহিত্যৰ জনক ভট্টদেৱ, দামোদৰদেৱ, গোপালদেৱ, হৰিদেৱ, মথুৰাদাস বুঢ়া আতা আদি নৱবৈষ্ণৱ ধৰ্মৰ পুৰোধা ব্যক্তিসকলে জীৱনৰ অধিকাংশ সময় বৰপেটাতে থাকি ধৰ্ম, সাহিত্য-শিল্প-সংস্কৃতিৰ চৰ্চা আৰু প্ৰচাৰ কৰিছিল। ফলত নৱবৈষ্ণৱ ধৰ্ম তথা সত্ৰীয়া সংস্কৃতিৰ প্ৰধান কেন্দ্ৰস্থল হিচাপে বৰপেটা জিলাখনে সেই সময়ৰপৰা আজি পৰ্যন্ত বিশেষ ঐতিহ্য আৰু গুৰুত্ব বহন কৰি আহিছে। বৰপেটা জিলাৰ প্ৰধান সত্ৰ-অনুষ্ঠানসমূহৰ ভিতৰত বৰপেটা সত্ৰ, পাটবাউসী থান, গণককুছি সত্ৰ, সুন্দৰীদিয়া সত্ৰ, জনীয়া সত্ৰ, বাৰাদি সত্ৰ, সত্ৰ কনৰা, মইনবাৰী সত্ৰ, গোমূৰা সত্ৰ আদিত লোকশিল্পৰ নিৰ্মাণ আৰু চৰ্চা বিশেষ মৰ্যাদাৰে অব্যাহত আছে। এই ক্ষেত্ৰত বৰপেটা জিলাৰ সদৰতে অৱস্থিত বৰপেটা সত্ৰকেন্দ্ৰিক লোকশিল্পৰ সমলসমূহে অতীজৰেপৰা বিশেষ প্ৰসিদ্ধি লাভ কৰি আহিছে। সত্ৰখনৰ পৃষ্ঠপোষকতাত নিৰ্মাণ হোৱা সত্ৰীয়া ভাস্কৰ্য আৰু বাদ্য, গুৰু আসন শিল্প, মৃৎশিল্প, আতচ্‌বাজী শিল্প আদি লোকশিল্পসমূহৰ সামাজিক-সাংস্কৃতিক গুৰুত্ব অপৰিসীম। সত্ৰকেন্দ্ৰিক এই লোকশিল্পসমূহে ধৰ্মীয় তথা আধ্যাত্মিক পৰিৱেশ সংৰচনাৰ লগতে পৰম্পৰাগত সৃজনী-প্ৰতিভাৰ মূৰ্ত প্ৰকাশ ঘটাইছে। সত্ৰীয়া বিশেষ পৰিৱেশত নিৰ্মিত এই লোকশিল্পসমূহৰ পৰিচয়, এইসমূহৰ বৈশিষ্ট্য, নিৰ্মাণ-শৈলী, নিৰ্মাণত ব্যৱহাৰ হোৱা কেঁচামাল, শিল্প অনুসাৰে এইসমূহত প্ৰয়োগ হোৱা লোককলা, লোকশিল্পসমূহৰ সামাজিক তথা সাংস্কৃতিক তাৎপৰ্য আদি দিশসমূহ এই গৱেষণাত অধ্যয়ন কৰা হৈছে।

ধাতুৰে নিৰ্মিত শিল্প-সামগ্ৰীৰ ক্ষেত্ৰতো বৰপেটা জিলাখনে অতীজৰে পৰা বিশেষ খ্যাতি লাভ কৰি আহিছে। এই ক্ষেত্ৰত সমগ্ৰ অসম জুৰি সৰ্থেবাৰীৰ কাঁহ-পিতল শিল্পৰ বিশেষ জনপ্ৰিয়তা আছে। ইয়াত উৎপাদিত হোৱা কাঁহী-বাটি, বানকাঁহী-বানবাটি, শৰাই, বটা, ভোৰতাল, বৰতাল, খুটিতাল, মঞ্জিৰা আদি অসমৰ বিভিন্ন ঠাইৰ লগতে অসমৰ বাহিৰলৈও ৰপ্তানি কৰা হয়। সেইদৰে বৰপেটাৰ বিভিন্ন

স্থানত নিৰ্মাণ হৈ থকা সোণ-ৰূপ-তাম আদি ধাতুকেন্দ্ৰিক আ-অলংকাৰ শিল্প, লো-শিল্প আদি শিল্পসমূহো বিশেষ বৈশিষ্ট্যসম্পন্ন। এই শিল্পজাত সম্পদসমূহে বৰপেটাৰ লগতে অসমৰ লোকশিল্পৰ ক্ষেত্ৰখনকো সমৃদ্ধ কৰি ৰাখিছে। এই শিল্পসমূহ নিৰ্মাণৰ এক বিশেষ প্ৰক্ৰিয়া আছে। ধাতুৰে নিৰ্মিত প্ৰতিটো লোকশিল্পৰ নিৰ্মাণ-প্ৰক্ৰিয়া, শিল্পসমূহৰ ব্যাৱহাৰিক প্ৰয়োজনীয়তা, শৈল্পিক মান তথা সৌন্দৰ্য, নিৰ্মাণত প্ৰয়োজন হোৱা কেঁচা-সামগ্ৰী আদি দিশসমূহৰ লগতে এই লোকশিল্পসমূহৰ সাংস্কৃতিক গুৰুত্বকো অধ্যয়নৰ অন্যতম দিশ হিচাপে বিবেচনা কৰা হৈছে।

একেদৰে প্ৰাকৃতিক সমলেৰে তৈয়াৰী শিল্পজাত সামগ্ৰীসমূহৰ ক্ষেত্ৰতো বৰপেটা জিলাখনৰ পৰিচয় সুকীয়া। এই ক্ষেত্ৰত বৰপেটাৰ হাতী দাঁতৰ শিল্প ইতিহাস প্ৰসিদ্ধ। সম্প্ৰতি এই শিল্পই অস্তিত্ব ৰক্ষাৰ বাবে যুঁজিব লগা হৈছে। তাৎপৰ্যপূৰ্ণ যে অসমৰ ভিতৰত কেৱল বৰপেটাতহে এই শিল্প ক্ষীণভাৱে হ'লেও জীয়াই আছে। তদুপৰি বৰপেটাৰ বাঁহ-বেত শিল্প, কাঠ শিল্প, মৃৎ শিল্প আদি শিল্পসমূহৰ ক্ষেত্ৰতো স্বকীয়তা বিদ্যমান। নিৰ্মাণ-প্ৰক্ৰিয়াৰ পৰা আৰম্ভ কৰি বজাৰ-ব্যৱস্থালৈকে সামগ্ৰিক দিশ সামৰি এই লোকশিল্পসমূহৰো সামাজিক-সাংস্কৃতিক উপযোগিতা, প্ৰয়োজনীয়তা আদি দিশসমূহ অধ্যয়নৰ আওতাত অন্তৰ্ভুক্ত কৰি শিল্পসমূহ মূল্যায়ণৰ প্ৰয়াস কৰা হৈছে।

পৰ্যটন-উদ্যোগৰ প্ৰসাৰ তথা অৰ্থনৈতিক উন্নয়ন আৰু বিকাশৰ ক্ষেত্ৰত লোকশিল্পসমূহৰ বিশেষ ভূমিকা থাকে। এই শিল্পসমূহৰ প্ৰচাৰ-প্ৰসাৰ আৰু সম্প্ৰসাৰণৰ জৰিয়তে অসমৰ অৰ্থনীতিক টনকিয়াল কৰাৰ সুযোগ আৰু সম্ভাৱনা যথেষ্ট নিহিত আছে। তদুপৰি ভয়াবহ নিবনুৱা সমস্যাৰে জৰ্জৰিত আজিৰ এই পৰিস্থিতিত এই লোকশিল্পসমূহে বিশেষ ভূমিকা গ্ৰহণ কৰাৰ অৱকাশ আছে। এই ক্ষেত্ৰত বৰপেটাৰ লোকশিল্পসমূহে অসমৰ অৰ্থনীতিৰ ক্ষেত্ৰত গ্ৰহণ কৰা ভূমিকা, স্বনিয়োজনৰ দিশত এই শিল্পসমূহৰ সম্ভাৱনা আদি দিশসমূহকো এই গৱেষণাৰ অন্যতম প্ৰাসংগিক দিশ হিচাপে গ্ৰহণ কৰি অধ্যয়ন কৰা হৈছে।

সাম্প্ৰতিক যুগ হৈছে বিজ্ঞান-প্ৰযুক্তিনিৰ্ভৰ যুগ। যোগাযোগ ব্যৱস্থাৰ অভূতপূৰ্ব বিকাশ আৰু সম্প্ৰসাৰণৰ আজিৰ এই সময়ত বিশ্বখন এখন গাঁৱলৈ ৰূপান্তৰিত হৈছে। এনে পৰিপ্ৰেক্ষিতত যিকোনো শিল্পজাত সামগ্ৰীৰ প্ৰচাৰ-প্ৰসাৰ আৰু জনপ্ৰিয়কৰণৰ যিদৰে সুযোগ আৰু সম্ভাৱনা আছে, ঠিক সেইদৰে কম চাহিদাযুক্ত বা কম পৰিসৰত ব্যৱহৃত শিল্পৰ অস্তিত্বৰ ক্ষেত্ৰতো প্ৰত্যাহ্বান আহি পৰিছে। গতিকে এই দিশৰ প্ৰতি দৃষ্টি ৰাখি শিল্পসমূহৰ সাম্প্ৰতিক স্থিতি নিৰূপণ আৰু ভৱিষ্যৎ সম্ভাৱনা সম্পৰ্কে বিশ্লেষণ কৰা হৈছে।

সামগ্ৰিকভাৱে এই গৱেষণাত সমৃদ্ধ ঐতিহ্যৰে পৰিপূৰ্ণ বৰপেটা জিলাৰ লোকশিল্পসমূহৰ পুংখানুপুংখ পৰিচয় জ্ঞাপন কৰিবলৈ প্ৰয়াস কৰাৰ লগতে লোকশিল্পসমূহৰ সাংস্কৃতিক পটভূমি আৰু নিৰ্মাণত ব্যৱহৃত কেঁচা-সামগ্ৰী অনুসৰি শিল্পবোৰক সুকীয়া সুকীয়াকৈ বিভাজন কৰি অধ্যয়ন কৰা হৈছে।

তদুপৰি লোকশিল্পবোৰৰ সামাজিক-সাংস্কৃতিক মূল্য, নিৰ্মাণ-পদ্ধতি, অৰ্থনৈতিক তথা স্বনিয়োজনৰ ক্ষেত্ৰত লোকশিল্পবোৰৰ ভূমিকা, লোকশিল্পসমূহৰ সাংস্কৃতিক গুৰুত্ব আদি দিশসমূহকো সামৰি লোৱা হৈছে। আনুষংগিকভাৱে লোকশিল্প অনুসৰি এইবোৰত প্ৰয়োগ হোৱা ৰূপাঙ্গ (Motif), শিল্পবোৰৰ শৈল্পিক সৌন্দৰ্য, নিৰ্মাণৰ লগত জড়িত হৈ থকা শিল্পীসকলৰ পৰিচয়ো প্ৰয়োজন সাপেক্ষে তুলি ধৰা হৈছে। এনে অধ্যয়নৰ জৰিয়তে অদূৰ ভৱিষ্যতৰ বাবে এই সমলবোৰ অক্ষতভাৱে উত্তৰ পুৰুষৰ বাবে জীয়াই ৰখাৰ ক্ষেত্ৰত বিশেষ সহায়ক হ'ব বুলি বিবেচনা কৰিব পাৰি।

**০.২ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য ঃ**

(ক) বৰপেটা জিলাৰ লোক-সমাজৰ মাজত নিৰ্মিত আৰু প্ৰচলিত লোকশিল্পসমূহৰ বিষয়ে পৰিচয় দাঙি ধৰা।

(খ) বৰপেটাৰ লোকশিল্পবোৰৰ নিৰ্মাণ-পদ্ধতি তথা নিৰ্মাণৰ ক্ষেত্ৰত ব্যৱহৃত কেঁচা-সামগ্ৰীসমূহৰ পৰিচয়েৰে এইবোৰৰ শৈল্পিক সৌন্দৰ্য সম্পৰ্কে আভাস প্ৰদান কৰা।

(গ) লোকশিল্পবোৰৰ ব্যৱহাৰ তথা এইবোৰৰ সমাজ-সাংস্কৃতিক তাৎপৰ্য আৰু গুৰুত্ব সম্পৰ্কে ব্যাখ্যা কৰা।

(ঘ) লোকশিল্পসমূহৰ নিৰ্মাণৰ লগত জড়িত হৈ থকা শিল্পীসমূহৰ পৰিচয়সহ শিল্প-নিৰ্মাণৰ ক্ষেত্ৰত তেওঁলোকৰ ভূমিকা সম্পৰ্কে আলোচনা আগবঢ়োৱা।

(ঙ) অৰ্থনৈতিক আৰু স্বনিয়োজনৰ ক্ষেত্ৰত বৰপেটাৰ লোকশিল্পসমূহৰ ভূমিকা সম্পৰ্কে বিচাৰ কৰা। লগতে পৰ্যটন উদ্যোগৰ বিকাশ আৰু সম্প্ৰসাৰণৰ ক্ষেত্ৰত এই শিল্পসমূহে আগবঢ়োৱা ভূমিকাৰ বিষয়েও আলোচনা কৰা।

(চ) পৰিৱৰ্তনশীল সমাজ-সাংস্কৃতিক প্ৰেক্ষাপটত বৰপেটাৰ লোকশিল্পসমূহৰ সাম্প্ৰতিক আৰু ভৱিষ্যতৰ স্থিতি সম্পৰ্কে বিশ্লেষণ আগবঢ়োৱা।

(ছ) বৰপেটাৰ লোকশিল্পসমূহত প্ৰয়োগ হোৱা ৰূপাঙ্গ (Motif) সম্পৰ্কীয় চমু আলোচনা আগবঢ়োৱা।

**০.৩ অধ্যয়নৰ গুৰুত্ব ঃ**

(ক) অসমৰ সাংস্কৃতিক ইতিহাসত বৰপেটা জিলাই বিশেষ গুৰুত্ব আৰু তাৎপৰ্য বহন কৰি আহিছে। শংকৰী সংস্কৃতিৰ প্ৰাণকেন্দ্ৰস্বৰূপ বৰপেটাৰ সত্ৰীয়া লোক-সাংস্কৃতিক উপাদানসমূহৰ লগতে

ইয়াৰ ভৌগোলিক পৰিৱেষ্টনৰ মাজত বিভিন্ন লোকশিল্পজাত সামগ্ৰীৰ নিৰ্মাণ ঐতিহাসিক কালৰ পৰাই চলি আহিছে। অসমৰ লোকশিল্পৰ ক্ষেত্ৰখনলৈ বৰপেটা জিলাৰ অৱিহণা, বৰপেটাৰ লোকশিল্পসমূহৰ স্বকীয়তা, সমাজ-সাংস্কৃতিক প্ৰেক্ষাপটত শিল্পসমূহৰ ব্যাৱহাৰিক প্ৰয়োজনীয়তা তথা আধুনিকতাৰ ধামখুমীয়াত এই শিল্পসমূহৰ অস্তিত্ব বা উপযোগিতাৰ প্ৰসংগ লোক-সাংস্কৃতিক দৃষ্টিভংগীৰে অধ্যয়ন কৰাৰ বিশেষ গুৰুত্ব নিহিত আছে। ইয়াৰ জৰিয়তে বৰপেটা জিলাৰ লোকশিল্পসমূহৰ সাম্প্ৰতিক আৰু ভৱিষ্যতৰ স্থিতি সম্পৰ্কীয় এখনি স্পষ্ট ছবি লাভ কৰাৰ অৱকাশ আছে।

(খ) লোকশিল্পসমূহৰ চৰ্চা আৰু চাহিদা সাম্প্ৰতিক বজাৰ-সৰ্বস্ব সমাজ-সাংস্কৃতিক পৰিস্থিতিৰ প্ৰেক্ষাপটত এক গভীৰ আলোচনাৰ বিষয়। কিয়নো অৰ্থনৈতিক গুৰুত্ব আৰু স্বনিয়োজনৰ প্ৰসংগৰ অবিহনে লোকশিল্পসমূহৰ চৰ্চা আৰু নিৰ্মাণ কেৱল পৰম্পৰাৰ খাতিৰতে শিল্পীসকলে সৃষ্টি কৰি থাকিব বুলি আশা কৰিব নোৱাৰি। এই ক্ষেত্ৰত বৰপেটাৰ লোকশিল্পীসকলে এই শিল্প-সামগ্ৰীসমূহ নিৰ্মাণৰ জৰিয়তে কেনেদৰে অৰ্থনৈতিকভাৱে লাভান্বিত হৈছে তথা স্বনিয়োজনৰ ক্ষেত্ৰত এই শিল্পবোৰে কেনেদৰে ভূমিকা পালন কৰিছে, সেই সম্পৰ্কীয় অধ্যয়নৰ ক্ষেত্ৰত অধ্যয়নাৰ্থ গৱেষণা-কৰ্মৰ বিশেষ গুৰুত্ব নিহিত আছে।

(গ) সম্প্ৰতি বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ অভূতপূৰ্ব বিকাশৰ এই যুগত পৰম্পৰাগত সাংস্কৃতিক সমলসমূহৰ ৰক্ষণাৱেক্ষণ তথা সংৰক্ষণৰ প্ৰসংগ অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচনা কৰিব পাৰি। তদুপৰি যোগাযোগ ব্যৱস্থাৰ দ্ৰুত সম্প্ৰসাৰণৰ এই যুগত মূল্যবান সাংস্কৃতিক সমলবোৰ তাৎক্ষণিকভাৱে প্ৰচাৰ কৰি ব্যাপক জনসাধাৰণৰ মাজত জনপ্ৰিয় কৰিও তুলিব পাৰি। এই ক্ষেত্ৰত বৰপেটা জিলাৰ লোকশিল্পসমূহৰ প্ৰচাৰ-প্ৰসাৰ, সংৰক্ষণ-সংবৰ্ধন তথা পোষণৰ প্ৰসংগত অথ্যয়নাৰ্থ গৱেষণা কৰ্মৰ গুৰুত্ব আছে।

**০.৪ অধ্যয়নৰ ক্ষেত্ৰ আৰু পৰিসৰ ঃ**

'বৰপেটা জিলাৰ লোকশিল্প ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন' শীৰ্ষক গৱেষণাকৰ্মৰ প্ৰধান ক্ষেত্ৰ নামনি অসমৰ বৰপেটা জিলা। এই জিলাখনত যিসমূহ লোকশিল্প পৰম্পৰাগতভাৱে নিৰ্মাণ আৰু প্ৰচলন হৈ আহিছে— সেই লোকশিল্পসমূহকে অধ্যয়নৰ পৰিসৰত অন্তৰ্ভুক্ত কৰা হৈছে। এই ক্ষেত্ৰত শংকৰী সংস্কৃতিৰ পীঠস্থানস্বৰূপ বৰপেটাৰ সত্ৰসমূহৰ পৃষ্ঠপোষকতাত কৰ্ষিত আৰু বিকশিত হৈ থকা লোকশিল্পসমূহৰ লগতে বিভিন্ন ধাতু, যেনে ঃ সোণ, ৰূপ, তাম, কাঁহ, পিতল আদিৰে নিৰ্মিত

লোকশিল্প, প্ৰাকৃতিক বিবিধ সমল, যেনে ঃ বাঁহ, বেত, কাঠ, মাটি, জীৱ-জন্তুৰ ছাল-দাঁত আদিৰে নিৰ্মাণ কৰা লোকশিল্পসমূহক সামৰি বৰপেটা জিলাৰ লোকশিল্পৰ সামগ্ৰিক দিশক সামৰি অধ্যয়ন কৰা হৈছে। অৰ্থাৎ লোকশিল্পবোৰৰ নিৰ্মাণত ব্যৱহাৰ হোৱা কেঁচা-সামগ্ৰী অনুসৰি প্ৰতিবিধ লোকশিল্পকে অধ্যয়নৰ পৰিসৰত সামৰি লৈ লোকশিল্পসমূহৰ পৰিচয়, নিৰ্মাণ-পদ্ধতি, নিৰ্মাণৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা কেঁচা-সামগ্ৰী, শিল্পবোৰৰ সামাজিক-সাংস্কৃতিক তাৎপৰ্য আৰু মূল্য, এইবোৰৰ শৈল্পিক সৌন্দৰ্য, লোকশিল্পসমূহৰ লগত জড়িত বিভিন্ন লোকবিশ্বাস, আৰ্থ-সামাজিক তথা স্বনিয়োজনৰ ক্ষেত্ৰত লোকশিল্পবোৰে গ্ৰহণ কৰা ভূমিকা, নিৰ্মাণৰ লগত জড়িত হৈ থকা বৰপেটাৰ লোকশিল্পীসমূহৰ পৰিচয়, বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ অভূতপূৰ্ব বিকাশৰ সাম্প্ৰতিক সময়ৰ পৰিপ্ৰেক্ষিতত বৰপেটাৰ লোকশিল্পবোৰৰ বৰ্তমানৰ অস্তিত্ব আৰু ভৱিষ্যতৰ সম্ভাৱনীয় স্থিতি আদি দিশসমূহক বিষয়-বিশ্লেষণৰ আওতাত অন্তৰ্ভুক্ত কৰা হৈছে।

আনহাতে বৰ্তমানৰ বৰপেটা জিলাত বড়ো জনগোষ্ঠীয় লোকেও বসবাস কৰি আছে। তেওঁলোকৰ সমাজতো স্বকীয় লোকশিল্পৰ পৰম্পৰা বিৰাজমান। অধ্যয়ন-ক্ষেত্ৰৰ এনে বিশালতালৈ লক্ষ্য কৰি সেয়ে বৰপেটা জিলাৰ জনগোষ্ঠীয় লোকশিল্পৰ বিষয়ে এই অধ্যয়নত সামৰি লোৱা হোৱা নাই।

### ০.৫ অধ্যয়নৰ পদ্ধতি ঃ

শৃংখলাবদ্ধ আৰু বিজ্ঞানসন্মত অধ্যয়ন হিচাপে প্ৰত্যেকটো গৱেষণা-কৰ্মত অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য অনুসৰি কাংক্ষিত সিদ্ধান্তত উপনীত হ'বলৈ নিৰ্দিষ্ট এক বা একাধিক পদ্ধতি অৱলম্বন কৰিব লগা হয়। এই ক্ষেত্ৰত গৱেষণাৰ তথ্য-আহৰণ আৰু তথ্য-বিশ্লেষণ দুয়োটা স্তৰতে বিষয়ৰ সৈতে খাপ খোৱা ভিন্ন পদ্ধতিৰ সহায় অপৰিহাৰ্য। এই উপ-অধ্যায়ত 'বৰপেটা জিলাৰ লোকশিল্প ঃ এক বিশ্লেষণাত্মক অধ্যয়ন' শীৰ্ষক গৱেষণা-কৰ্মত অৱলম্বন কৰা পদ্ধতি সম্পৰ্কে আলোচনা কৰা হৈছে।

#### ০.৫.১ তথ্য-আহৰণৰ পদ্ধতি ঃ

গৱেষণা কৰ্মটোৰ বাবে প্ৰয়োজন হোৱা যাৱতীয় তথ্যসমূহ দুটা উৎসৰ পৰা সংগ্ৰহ কৰা হৈছে — মুখ্য উৎস (Primary Source) আৰু গৌণ উৎস (Secondary Source)।

#### ০.৫.১.১ মুখ্য উৎস ঃ

অধ্যয়নাৰ্থ গৱেষণা কৰ্মৰ প্ৰধান ক্ষেত্ৰ নামনি অসমৰ বৰপেটা জিলা। গতিকে এই জিলাখনৰ ভৌগোলিক পৰিসৰভুক্ত যিসমূহ স্থানত লোকশিল্পৰ নিৰ্মাণ আৰু বিপণন কাৰ্য সম্পাদিত হয়, সেই স্থানসমূহৰ পৰাই প্ৰত্যক্ষভাৱে গৱেষণাৰ যাৱতীয় তথ্যসমূহ আহৰণ কৰা হৈছে। তদুপৰি লোকশিল্পৰ

চৰ্চাকাৰী বিভিন্নজন লোকশিল্পী, লোকশিল্পৰ সৈতে জড়িত বিভিন্নজন ব্যক্তি তথা এই সম্পৰ্কীয় অধ্যয়ন-বিশ্লেষণ কৰা অভিজ্ঞ একাধিক ব্যক্তিৰ পৰাও পোনপটীয়া যোগাযোগৰ জৰিয়তে কেতবোৰ প্ৰাসংগিক সমল সংগ্ৰহ কৰা হৈছে। এনেদৰে সংগৃহীত সমলবোৰকে মুখ্য উৎসৰ আওতাত সন্নিবিষ্ট কৰা হৈছে।

মুখ্য উৎসৰ পৰা যাৱতীয় তথ্যসমূহ সংগ্ৰহৰ ক্ষেত্ৰত কেতবোৰ বিশেষ পদ্ধতিৰ সহায় লোৱা হৈছে। এই ক্ষেত্ৰত ক্ষেত্ৰ-অধ্যয়ন (Field Study) পদ্ধতিৰ সহায় মুখ্যতম। ক্ষেত্ৰ-অধ্যয়নৰ বাবে নিৰ্বাচন কৰি লোৱা স্থানসমূহ হ'ল — সত্ৰকেন্দ্ৰিক লোকশিল্প নিৰ্মাণৰ লগত জড়িত গলিয়াহাটী, ঘোঁৰাহাটী, নহাটী, দক্ষিণহাটী, বিলৰটাৰিহাটী, সুন্দৰীদিয়া, গণককুছি, পাটবাউসী, বামুণা, জনিয়া, বাঘবৰ, সৰ্থেবাৰী, সৰভোগ, ভৱানীপুৰ আদি; ধাতুকেন্দ্ৰিক লোকশিল্প নিৰ্মাণৰ লগত জড়িত সৰ্থেবাৰী, বণিয়াকুছি, লচিমা, আমৃখোৱা, বৰশলা, ব্যাসকুছি, বাঘমাৰা, কামাৰপাৰা, গহিয়া, শিংৰা, বেঙাপাৰ, চিনাদি, বৰঘোপা, বেলবাৰী, মন্দিয়া, বাৰাদি, কেওটকুছি, নসত্ৰ, হালধিবাৰী, হিলেপাৰা, বৰপেটা সদৰৰ নিকটৱৰ্তী নহাটী, বৃন্দাবন হাটী, গলিয়াহাটী, বুদৰুৰটুপ আদি; প্ৰাকৃতিক সমলেৰে নিৰ্মিত লোকশিল্পৰ লগত জড়িত গলিয়াহাটী, নহাটী, বামুণা, ঘোঁৰামৰা হাটী, বৰক্ষেত্ৰী মৌজা, সৰভোগ, সৰুপেটা, হাউলী, পাঠশালা, বজালী, মন্দিয়া, বাঘবৰ, বহৰি, কয়াকুছি, ভৱানীপুৰ আদি।

**০.৫.১.১.১ ক্ষেত্ৰ-অধ্যয়ন পদ্ধতি ঃ**

বিজ্ঞানসন্মত অধ্যয়নত বিষয়ৰ বিশ্বাসযোগ্যতা প্ৰমাণিত কৰিবলৈ নিৰ্দিষ্ট ক্ষেত্ৰৰ পৰা শৃংখলিতভাৱে তথ্য আহৰণৰ ক্ষেত্ৰত অৱলম্বন কৰা প্ৰধান পদ্ধতিটোৱেই হৈছে ক্ষেত্ৰ-অধ্যয়ন পদ্ধতি। এই পদ্ধতিৰ সহায়ত অধ্যয়নৰ নিৰ্দিষ্ট লক্ষ্য-উদ্দেশ্য অনুসৰি কেতবোৰ অনুসন্ধানমূলক প্ৰশ্ন আগত লৈ প্ৰয়োজনীয় তথ্য সংগ্ৰহৰ প্ৰচেষ্টা কৰা হয়। এই ক্ষেত্ৰত গৱেষণা-কৰ্মৰ নিৰ্ধাৰিত ক্ষেত্ৰসমূহলৈ গৈ লোকশিল্প সম্পৰ্কীয় যাৱতীয় তথ্যসমূহ সংগ্ৰহ কৰা হৈছে। নিৰ্মাণৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা কেঁচা-সামগ্ৰী অনুসৰি তথা ব্যাৱহাৰিক প্ৰেক্ষাপট অনুসৰি সত্ৰকেন্দ্ৰিক লোকশিল্প, ধাতুৰে নিৰ্মিত লোকশিল্প আৰু প্ৰাকৃতিক উপাদানেৰে নিৰ্মিত লোকশিল্প — এই প্ৰতিবিধ লোকশিল্পৰ সামগ্ৰিক তথ্যৰাজি ক্ষেত্ৰ অধ্যয়ন পদ্ধতিৰ অৱলম্বনৰ জৰিয়তেই আহৰণ কৰা হৈছে। ক্ষেত্ৰ-অধ্যয়নৰ সময়ত সংগৃহীত তথ্যসমূহ টেপৰেকৰ্ডাৰ আৰু প্ৰয়োজন অনুসৰি লিখি বিশ্লেষণৰ বাবে সংৰক্ষণ কৰা হৈছে। এই পদ্ধতিৰ অন্তৰ্গতভাৱে নিম্নলিখিত পদ্ধতি বা কৌশলসমূহ অৱলম্বন কৰা হৈছে —

(১) ক্ষেত্ৰ-পৰ্যবেক্ষণ পদ্ধতি

(২) সাক্ষাৎগ্ৰহণ পদ্ধতি

**০.৫.১.১.১.১ ক্ষেত্ৰ-পৰ্যবেক্ষণ পদ্ধতি ঃ**

ক্ষেত্ৰ অধ্যয়নৰ সময়ছোৱাত বৰপেটা জিলাৰ ভৌগোলিক পৰিসৰৰ ভিতৰত ঐতিহ্যগতভাৱে যিসমূহ লোকশিল্প পৰম্পৰাগতভাৱে বিশেষ শ্ৰেণীৰ লোক বা সম্প্ৰদায়ৰ মাজত নিৰ্মিত হৈ আহিছে, সেই লোকশিল্পসমূহৰ নিৰ্মাণৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা কেঁচা-সামগ্ৰী বা প্ৰেক্ষাপট অনুসৰি সেইবোৰক সত্ৰকেন্দ্ৰিক, ধাতুকেন্দ্ৰিক তথা প্ৰাকৃতিক সমলেৰে নিৰ্মিত লোকশিল্প— এনেদৰে বিভাজন কৰি প্ৰত্যেকবিধ লোকশিল্পৰ নিৰ্মাণ-পদ্ধতি, শৈল্পিক সৌন্দৰ্য, লোকশিল্পসমূহৰ সামাজিক-সাংস্কৃতিক তাৎপৰ্য আৰু গুৰুত্ব, ব্যাৱহাৰিক উপযোগিতা আদি দিশসমূহৰ লগত জড়িত কেতবোৰ তথ্য পৰ্যবেক্ষণ পদ্ধতিৰ সহায়ত সংগ্ৰহ কৰা হৈছে। এই পদ্ধতি অৱলম্বনৰ জৰিয়তে বিষয় সম্পৰ্কীয় প্ৰাসংগিক তথ্যসমূহ শৃংখলিত আৰু নিৰ্ভুল ৰূপত আহৰণ কৰাৰ ক্ষেত্ৰত সহায়ক হৈছে।

**০.৫.১.১.১.২ সাক্ষাৎগ্ৰহণ পদ্ধতি ঃ**

পৰ্যবেক্ষণ পদ্ধতিৰ জৰিয়তে আহৰণ কৰিব নোৱাৰা বাঞ্ছিত তথ্যসমূহ সাক্ষাৎগ্ৰহণ পদ্ধতিৰ অৱলম্বনৰ সহায়ত সংগ্ৰহ কৰা হৈছে। এই ক্ষেত্ৰত প্ৰতিবিধ লোকশিল্পৰ নিৰ্মাণৰ সামগ্ৰিক প্ৰক্ৰিয়া, লোকশিল্পৰবোৰ নিৰ্মাণ কৰোঁতে প্ৰয়োজন হোৱা কেঁচা-সামগ্ৰীসমূহৰ নাম তথা সেইবোৰৰ যোগান ব্যৱস্থা, লোকশিল্পীসকলৰ শাৰীৰিক-মানসিক শ্ৰম, লোকশিল্পজাত সামগ্ৰীসমূহৰ বিপণন ব্যৱস্থা তথা অৰ্থনৈতিক ক্ষেত্ৰত সেইবোৰৰ ভূমিকা, স্বনিয়োজনৰ ক্ষেত্ৰত লোকশিল্পবোৰৰ অৰিহণা, লোকশিল্পীসমূহৰ অভিজ্ঞতা তথা দৃষ্টিত শিল্পসমূহৰ সাম্প্ৰতিক স্থিতি আদি সম্পৰ্কীয় প্ৰাথমিক তথ্যসমূহ বিশেষ বিশেষ লোকশিল্পী তথা সেই বিষয়ক চৰ্চাকাৰী অভিজ্ঞ লোকৰ সাক্ষাৎগ্ৰহণৰ জৰিয়তে সংগ্ৰহ কৰা হৈছে। এই প্ৰসংগত বিশেষভাৱে অনানুষ্ঠানিক সাক্ষাৎগ্ৰহণ (Informal Interview) পদ্ধতিৰ জৰিয়তে ক্ষেত্ৰ অধ্যয়নৰ কালছোৱাত লগ পোৱা বিভিন্নজন লোকশিল্পী তথা অভিজ্ঞ ব্যক্তিৰ পৰা তথ্যসমূহ সংগ্ৰহৰ প্ৰচেষ্টা কৰা হৈছে।

**০.৬.১.২ গৌণ উৎস ঃ**

গৱেষণা-বিষয়ৰ লগত সম্পৰ্কিত পূৰ্বসূৰী বিভিন্নজন লেখক-গৱেষক-প্ৰবন্ধকাৰ আদিসকলে কৰা অধ্যয়ন-বিশ্লেষণৰ পৰাও বিভিন্ন তথ্য আহৰণ কৰা হৈছে। এই ক্ষেত্ৰত বিভিন্ন গ্ৰন্থ, গৱেষণা গ্ৰন্থ, আলোচনী আৰু সম্পাদিত কেতবোৰ গ্ৰন্থত সন্নিবিষ্ট বিভিন্ন প্ৰবন্ধ আদিৰ কথা উল্লেখ কৰিব পাৰি। তদুপৰি ইণ্টাৰনেট ব্যৱস্থাত উপলব্ধ বিবিধ উৎসৰ পৰা যাৱতীয় তথ্য অনুসন্ধান কৰি সংগ্ৰহ কৰা হৈছে। এনেদৰে সংগৃহীত তথ্যসমূহক গৌণ উৎসৰ ভিতৰত ধৰা হৈছে।

**০.৬.২ তথ্য-বিশ্লেষণৰ পদ্ধতি ঃ**

'বৰপেটা জিলাৰ লোকশিল্প ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন' শীৰ্ষক বিষয়টো অধ্যয়ন-বিশ্লেষণৰ বাবে মূলতঃ বিশ্লেষণাত্মক পদ্ধতি (Analytical Method) অৱলম্বন কৰা হৈছে। এই পদ্ধতিৰ অন্তৰ্গতভাৱে নিম্নলিখিত কাৰ্যপন্থাসমূহ গ্ৰহণ কৰা হৈছে —

(ক) বিষয়-সংশ্লিষ্ট তাত্ত্বিক ভেটি নিৰ্মাণৰ বাবে প্ৰাসংগিক তথ্য (গ্ৰন্থ, গৱেষণা গ্ৰন্থ, প্ৰবন্ধ)ৰ অনুসন্ধান, বিশ্লেষণ আৰু তাৰ ভিত্তিত অধ্যয়নৰ সুনিৰ্দিষ্ট তাত্ত্বিক ধাৰণা প্ৰতিষ্ঠাপন। এই ক্ষেত্ৰত সংস্কৃতিৰ অন্তৰ্গতভাৱে শিল্প তথা লোকশিল্পৰ ধাৰণা আৰু এই সম্পৰ্কে বিভিন্নজন গৱেষকে প্ৰদান কৰা সংজ্ঞা; লোকশিল্পৰ বৈশিষ্ট্য, লোকশিল্পৰ লগত আন আন শিল্পসমূহৰ সম্পৰ্ক আৰু পাৰ্থক্য আদি বিচাৰ কৰা হৈছে। এনে বিশ্লেষণৰ ভিত্তিতে অধ্যয়নাৰ্থ মূল সমলবোৰক পৰিসৰভুক্ত কৰা হৈছে।

(খ) অধ্যয়নৰ তাত্ত্বিক দৃষ্টিভংগী অনুসৰি পৰিসৰভুক্ত হোৱা লোকশিল্পবোৰক বিভিন্ন শ্ৰেণীত বিভক্ত কৰি বিশ্লেষণ দাঙি ধৰা হৈছে।

(গ) ক্ষেত্ৰ অধ্যয়নৰ সময়ত লাভ কৰা বিভিন্ন তথ্য তথা বিভিন্নজন সমল ব্যক্তিৰ পৰা সাক্ষাৎকাৰৰ জৰিয়তে আহৰণ কৰা তথ্য আৰু মতামতসমূহ প্ৰসংগ অনুসৰি বিচাৰ-বিশ্লেষণৰ ক্ষেত্ৰতো এই পদ্ধতি অৱলম্বন কৰা হৈছে।

(ঘ) লোকশিল্পসমূহৰ নিৰ্মাণ-পদ্ধতি, শৈল্পিক গুণাগুণ, বৈশিষ্ট্য, সামাজিক-সাংস্কৃতিক মূল্য, ব্যাৱহাৰিক তাৎপৰ্য, শিল্পসমূহৰ নিৰ্মাণৰ ক্ষেত্ৰত জড়িত হৈ থকা লোকশিল্পীসকলৰ অৰ্থনৈতিক স্থিতি, আধুনিকতাৰ পৰিপ্ৰেক্ষিতত লোকশিল্পবোৰৰ সম্ভাৱনীয় ভৱিষ্যৎ আদি দিশবোৰৰ বিশ্লেষণৰ ভিত্তিত শিল্পজাত সামগ্ৰীসমূহ মূল্যায়ণ কৰি সিদ্ধান্তত উপনীত হ'বলৈ চেষ্টা কৰা হৈছে। এই ক্ষেত্ৰত বিষয় সম্পৰ্কীয় পূৰ্বসূৰী বিভিন্ন লেখক-গৱেষকৰ অধ্যয়নসমৃদ্ধ তথ্য তথা উৎসৰ অনুসন্ধান কৰি বিষয়ৰ বিস্তৃত আলোচনা দাঙি ধৰা হৈছে।

**০.৭ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা ঃ**

'বৰপেটা জিলাৰ লোকশিল্প ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন' শীৰ্ষক গৱেষণা বিষয়ৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে সম্পৰ্কিত বিবিধ অধ্যয়ন বিভিন্ন ভাষাত সম্পাদিত হৈছে। অৱশ্যে অবিভক্ত বৰপেটা জিলাৰ ভৌগোলিক পৰিৱেষ্টনৰ অন্তৰ্গত সকলো লোকশিল্পকে সামৰি পদ্ধতিগত তথা তাত্ত্বিক দৃষ্টিভংগীৰ আধাৰত সম্পাদিত সামগ্ৰিক অধ্যয়ন এতিয়ালৈকে হোৱা নাই। ভিন্ন বিষয়-ক্ষেত্ৰৰ অন্তৰ্গতভাৱে

লোকশিল্প বিষয়ক অধ্যয়ন পোৱা গৈছে। সেইদৰে অসমৰ অন্য জিলাৰ লোকশিল্প বিষয়ক অধ্যয়নো সম্পাদিত হৈছে। কিন্তু একক ৰূপত বৰপেটা জিলাকেন্দ্ৰিক লোকশিল্পসমূহৰ সামগ্ৰিক অধ্যয়ন-বিশ্লেষণ এতিয়ালৈকে সম্পন্ন হোৱা নাই। অধ্যয়নাৰ্থ গৱেষণা কৰ্মটিত বৰপেটা জিলাৰ ভৌগোলিক পৰিসৰৰ ভিতৰত পৰম্পৰাগতভাৱে নিৰ্মিত, কৰ্ষিত আৰু বিকশিত বিভিন্ন লোকশিল্পসমূহৰ সামগ্ৰিক অধ্যয়নত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। এই বিষয়-ক্ষেত্ৰৰ লগত সম্পৰ্কিত পূৰ্বকৃত অধ্যয়নসমূহে বিষয়ৰ বহুমাত্ৰিক ধাৰণা জ্ঞাপনত তথা বিভিন্ন দিশৰ অনুসন্ধানত সহায় কৰিছে।

গৱেষণামূলক দৃষ্টিভংগীৰে কৰা লোকশিল্প বিষয়ক যিকোনো অধ্যয়নৰ বাবে তাত্ত্বিক আধাৰৰ প্ৰয়োজন। সেয়ে লোকশিল্প সম্পৰ্কীয় তাত্ত্বিক অধ্যয়নসমূহকো এই শিতানত সামৰা হৈছে। সামগ্ৰিকভাৱে বিষয় সম্পৰ্কীয় পূৰ্বকৃত অধ্যয়নসমূহক নিম্নলিখিত ধৰণে বিভাজন কৰি সমীক্ষা আগবঢ়োৱা হৈছে —

- লোকশিল্পৰ তাত্ত্বিক ধাৰণা সম্পৰ্কীয় অধ্যয়ন;
- লোকশিল্প তথা বৰপেটাকেন্দ্ৰিক লোকশিল্প বিষয়ক গৱেষণা-গ্ৰন্থ;
- বৰপেটা জিলাৰ লোকশিল্প বিষয়ক বিভিন্ন গ্ৰন্থ আৰু
- লোকশিল্প সম্পৰ্কীয় অন্যান্য গ্ৰন্থ প্ৰবন্ধ, নিবন্ধ, আলোচনা ইত্যাদি।

### ০.৭.১ লোকশিল্পৰ তাত্ত্বিক ধাৰণা সম্পৰ্কীয় অধ্যয়ন ঃ

নবীন চন্দ্ৰ শৰ্মাৰ 'অসমৰ সাংস্কৃতিক ইতিহাস-দ্বিতীয় খণ্ড' (২০১৩) শীৰ্ষক গ্ৰন্থত অসমৰ সংস্কৃতিৰ আটাইকেইটা দিশ, যেনে ঃ অসমৰ পৰম্পৰাগত সাহিত্য, সামাজিক আচাৰ-অনুষ্ঠান, ভৌতিক সংস্কৃতি আৰু পৰিৱেশ্য কলাৰ সকলোবোৰ দিশ বিস্তৃতভাৱে আলোচনা কৰিছে। বৃহৎ কলেবৰৰ এই গ্ৰন্থখনত ভৌতিক সংস্কৃতিৰ অন্তৰ্গতভাৱে শিল্প, কলা আদি সম্পৰ্কীয় তাত্ত্বিক ধাৰণাসমূহ জ্ঞাপন কৰাৰ লগতে অসমৰ হস্তশিল্প বা কাৰুশিল্প, মৃৎশিল্প, টেৰাকোটা, বাঁহ-বেত-কাঠ শিল্প, বিভিন্ন গছৰ পাতেৰে নিৰ্মিত শিল্প, জীৱ-জন্তুৰ দাঁত, হাড়, ছাল আদিৰে নিৰ্মাণ কৰা শিল্প, ধাতুশিল্প, বয়নশিল্প, কুহিলাশিল্প, পৰম্পৰাগত বাদ্যযন্ত্ৰ আদি কাৰুশিল্পজাত সমলসমূহৰ বিষয়ে আলোচনা কৰাৰ লগতে অসমৰ চিত্ৰ, স্থাপত্য, ভাস্কৰ্য আদি চাৰুশিল্পসমূহৰ বিষয়েও বিশদ আলোচনা দাঙি ধৰিছে।

নবীন চন্দ্ৰ শৰ্মাৰ আন দুখন গ্ৰন্থ ক্ৰমে 'অসমীয়া লোক-সংস্কৃতিৰ আভাস' (২০১১) আৰু 'লোক সংস্কৃতি' (২০১৩)ত লোকসংস্কৃতিৰ তাত্ত্বিক অধ্যয়নৰ কেতবোৰ দিশ উন্মোচিত হৈছে। প্ৰথমখন গ্ৰন্থত লোক-সংস্কৃতিৰ স্বৰূপ, ইয়াৰ শ্ৰেণীবিভাজন আৰু লোক-সংস্কৃতি অধ্যয়নৰ তাত্ত্বিক কেতবোৰ পদ্ধতি, সিদ্ধান্ত বা মতবাদ আলোচনা কৰিছে। এই ক্ষেত্ৰত ঐতিহাসিক-ভৌগোলিক মতবাদ, আংগিক সংস্থানগত মতবাদ, ঐতিহাসিক পুনৰ্গঠন পদ্ধতি আদি কৰি মুঠ বাৰটা মতবাদ গ্ৰন্থখনত আলোচিত

হৈছে। দ্বিতীয়খন গ্ৰন্থতো উল্লিখিত মতবাদ বা সিদ্ধান্তসমূহৰ লগতে লোকবিদ্যা (Folklore) সম্পৰ্কীয় বিভিন্ন পণ্ডিতৰ সূত্ৰ, পৰিভাষা তথা লোকবিদ্যাৰ সামাজিক প্ৰকাৰ্য সম্পৰ্কে বিচাৰ-বিশ্লেষণ কৰি দেখুৱাইছে।

'লোক কল্পদৃষ্টি' (২০১৯) শীৰ্ষক নীলমণি ফুকনৰ গ্ৰন্থখনত লেখকে শিল্পৰ বিভিন্ন দিশৰ অধ্যয়নেৰে শিল্প আৰু লোকশিল্পৰ যথাৰ্থ সংজ্ঞা, ধাৰণা, স্বৰূপ, বৈশিষ্ট্য আদি প্ৰতিষ্ঠা কৰিছে। তদুপৰি লোকশিল্পৰ অধ্যয়নৰ ইতিহাস, অসমৰ লোকশিল্পত সচৰাচৰ দেখা পোৱা বিভিন্ন প্ৰতীক তথা ৰূপাঙ্গ (Motif) লোকশিল্পৰ ভিন্ন শৈলী আদি সম্পৰ্কেও আলোচনা আগবঢ়াইছে। গ্ৰন্থখনৰ শেষ ভাগত অসমৰ লোকশিল্পৰ কেতবোৰ আপুৰুগীয়া চিত্ৰও সংযোজিত কৰা হৈছে।

**০.৭.২ লোকশিল্প তথা বৰপেটাকেন্দ্ৰিক লোকশিল্প বিষয়ক গৱেষণা-গ্ৰন্থ ঃ**

উদয় নাথে 'Barpeta as a Centre of Assamese Culture: A Study in Tradition and Change with Special Reference to the Satra Institution' (1991) শীৰ্ষক অপ্ৰকাশিত গৱেষণা-গ্ৰন্থখনত বৰপেটাৰ ঐতিহাসিক-সামাজিক-সাংস্কৃতিক পৰিৱেশ, সাংস্কৃতিক কেন্দ্ৰ হিচাপে বৰপেটা সত্ৰৰ ভূমিকা, সত্ৰখনত পালন কৰা বিবিধ আচাৰ-অনুষ্ঠান তথা ইয়াৰ চাৰিওফালে বসবাস কৰি থকা লোকসকলৰ সাধাৰণ জীৱন-চৰ্যা আদি দিশসমূহৰ অধ্যয়ন কৰিছে। ইয়াৰে অন্তৰ্গতভাৱে সত্ৰৰ পৃষ্ঠপোষকতাত কৰ্ষিত আৰু নিৰ্মিত হৈ থকা পাৰম্পৰিক লোকশিল্পসমূহৰ বিষয়েও পৰিচয়মূলক আলোচনা দাঙি ধৰিছে।

গীতা ডেকাই তেওঁৰ অপ্ৰকাশিত গৱেষণা গ্ৰন্থ 'সৰ্থেবাৰী অঞ্চলৰ লোক-সাংস্কৃতিক অধ্যয়ন (কাঁহ-শিল্পৰ বিশেষ উল্লিখনসহ)' (২০০৬)ত সৰ্থেবাৰীৰ লোক-সাংস্কৃতিক দিশৰ সামগ্ৰিক অধ্যয়নেৰে কাঁহ-শিল্পৰ বিষয়ে বিশ্লেষণ আগবঢ়াইছে। এই ক্ষেত্ৰত সৰ্থেবাৰীৰ কাঁহ-শিল্পৰ লগতে পিতল-শিল্পৰ সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক তাৎপৰ্য, শিল্পীসকলৰ দৈনিক খৰচ আৰু উপাৰ্জন, শিল্পবিধৰ বাবে প্ৰয়োজন হোৱা কেঁচামাল আৰু তাৰ বাবে হোৱা খৰচ, নিৰ্মাণ-শৈলী আদি দিশসমূহৰ আলোচনা গৱেষণা গ্ৰন্থখনত অন্তৰ্ভুক্ত হৈছে।

'বৰপেটা জিলাৰ ভৌতিক সংস্কৃতি ঃ হাতীদাঁত শিল্পৰ বিশেষ উল্লিখনসহ' (২০১৩) শীৰ্ষক মদন চন্দ্ৰ দাসৰ অপ্ৰকাশিত গৱেষণা-গ্ৰন্থখনত বৰপেটাৰ ঐতিহ্যপূৰ্ণ হাতীদাঁত-শিল্পৰ ইতিহাস, নিৰ্মাণ-পদ্ধতি আৰু ইয়াৰ লগত জড়িত সা-সঁজুলি, শিল্পবিধৰ লগত জড়িত লোকবিশ্বাস, বৰ্তমান এই শিল্পবিধৰ সমস্যা আৰু স্থিতি আদি সামগ্ৰিক দিশ সামৰি আলোচনা কৰিছে। আনুষংগিকভাৱে বৰপেটাৰ ঐতিহাসিক তথা সামাজিক-সাংস্কৃতিক পৰিচয় জ্ঞাপন কৰি বৰপেটাৰ ভৌতিক সংস্কৃতিৰ

বিবিধ দিশসমূহ, যেনে ঃ লোককলা, লোকশিল্প, লোক-স্থপতিবিদ্যা, লোক-আভৰণ আৰু লোক ৰন্ধন প্ৰণালী সম্পৰ্কেও বিশ্লেষণ আগবঢ়াইছে।

বিজয়কৃষ্ণ দলেৰ অপ্ৰকাশিত গৱেষণা গ্ৰন্থ 'মিচিং লোকশিল্প ঃ এটি বৰ্ণনাত্মক অধ্যয়ন' (২০১৭) শীৰ্ষক গৱেষণা গ্ৰন্থত উজনি অসমৰ উল্লেখযোগ্য জনগোষ্ঠী মিচিংসকলৰ লোকশিল্পৰ সামগ্ৰিক আলোচনা সন্নিবিষ্ট হৈছে। লোকশিল্পৰ তাত্ত্বিক ধাৰণাৰ আধাৰত বিশ্লেষণ আগবঢ়োৱা গৱেষণা-গ্ৰন্থখনত মিচিংসকলৰ বয়নশিল্প, বাঁহ-বেত আৰু কাঠশিল্প, মৃৎ শিল্প, ধাতুশিল্পৰ লগতে প্ৰাকৃতিক বিবিধ উপকৰণ, যেনে ঃ জীৱ-জন্তুৰ দাঁত-হাড়-ছাল, গছৰ পাত, খেৰ, মৰাপাত আদিৰে নিৰ্মিত বিভিন্ন লোকশিল্পসমূহৰ সামগ্ৰিক পৰিচয়সহ এইবোৰৰ নিৰ্মাণ-পদ্ধতি, লোকশিল্পসমূহৰ লগত জড়িত লোকবিশ্বাস, পৰিৱৰ্তনৰ প্ৰেক্ষাপটত লোকশিল্পসমূহৰ সাম্প্ৰতিক স্থিতি আদি দিশসমূহত আলোকপাত কৰিছে।

খনিকৰ মাউতৰ 'সাংস্কৃতিক সমাহৰণত উজনি অসমৰ নগা জনগোষ্ঠীসমূহৰ লোকসংস্কৃতি' (২০১৮) শীৰ্ষক গৱেষণা-গ্ৰন্থত সাংস্কৃতিক সমাহৰণৰ দৃষ্টিভংগীৰে নগা জনগোষ্ঠীৰ অন্যতম ঠাল নক্টে, ৰান্ছু আৰু কন্যাকসকলৰ সামাজিক-সাংস্কৃতিক সাধাৰণ পৰিচয়সহ সংশ্লিষ্টসকলৰ লোক-সাংস্কৃতিক বিভিন্ন দিশ, যেনে ঃ মৌখিক সাহিত্য, লোকাচাৰ আৰু লোক-পৰিৱেশ্যকলাৰ সামগ্ৰিক আলোচনাৰ সমান্তৰালভাৱে ভৌতিক সংস্কৃতিৰ অন্তৰ্গতভাৱে  লোকশিল্প, লোককলা, লোক-স্থপতিবিদ্যা, লোকাভৰণ আদি শিল্প বিষয়ক দিশসমূহৰ আলোচনাও সন্নিবিষ্ট কৰিছে। লগতে সংশ্লিষ্টসকলৰ সাংস্কৃতিক ক্ষেত্ৰত হোৱা সমাহৰণৰ অন্তৰালত নিহিত থকা বিভিন্ন আৰ্থ-সামাজিক কাৰক তথা সমাজত ইয়াৰ প্ৰভাৱ সম্পৰ্কীয় দিশসমূহৰো বিশ্লেষণ গৱেষণা-গ্ৰন্থখনত অন্তৰ্ভুক্ত হৈছে।

ৰণ্টু দত্তই তেওঁৰ অপ্ৰকাশিত গৱেষণা-গ্ৰন্থ 'অসমৰ বয়নশিল্প ঃ এটি সমীক্ষাত্মক অধ্যয়ন' (২০১৮)ত অসমৰ বয়নশিল্পৰ সামগ্ৰিক আলোচনা দাঙি ধৰিছে। 'অৱতৰণিকা' আৰু 'উপসংহাৰ' অধ্যায়ৰ বাদে মুঠ সাতটা অধ্যায়ত বিভক্ত গৱেষণা-গ্ৰন্থখনত লোকশিল্পৰ তাত্ত্বিক ধাৰণাৰ আধাৰত অসমৰ বয়নশিল্পৰ কেঁচা-সামগ্ৰীসমূহৰ প্ৰকাৰ আৰু উৎপাদন-পদ্ধতি, অসমৰ বস্ত্ৰৰ বয়ন-পদ্ধতি, শিল্পজাত বস্ত্ৰসমূহৰ ৰং প্ৰস্তুত প্ৰণালী আৰু ব্যৱহাৰ, বয়নশিল্পসমূহত ব্যৱহৃত ফুলৰ চানেকি আৰু ৰূপাঙ্গ (motif), অসমৰ অৰ্থনীতিৰ ক্ষেত্ৰত বয়নশিল্পৰ ভূমিকা; অসমৰ বয়নশিল্পৰ পৰম্পৰা, ইয়াৰ পৰিৱৰ্তন, সংৰক্ষণ আৰু সংবৰ্ধন আদি সকলো দিশ সামৰি সমীক্ষা আগবঢ়াইছে।

'অবিভক্ত কামৰূপ জিলাৰ লোকশিল্প ঃ এক বিশ্লেষণাত্মক অধ্যয়ন' (২০১৯) শীৰ্ষক প্ৰতুল ডেকাৰ অপ্ৰকাশিত গৱেষণা-গ্ৰন্থখনত অবিভক্ত কামৰূপ জিলা (বৰ্তমানৰ কামৰূপ গ্ৰাম্য, কামৰূপ মহানগৰ, নলবাৰী আৰু বৰপেটা জিলাক সামৰি)ৰ লোকশিল্পৰ সামগ্ৰিক আলোচনা আগবঢ়াইছে। অবিভক্ত

কামৰূপ জিলাৰ ভৌগোলিক-ঐতিহাসিক-সামাজিক পৰিচয়সহ এই জিলাখনত নিৰ্মাণ হৈ অহা লোকশিল্পসমূহৰ ইতিহাস, সমাজ-জীৱনৰ সৈতে লোকশিল্পসমূহৰ সম্পৰ্ক, সেইবোৰৰ নিৰ্মাণ-পদ্ধতি, নিৰ্মাণৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা সঁজুলি তথা শিল্পসমূহৰ ব্যৱহাৰ সম্পৰ্কীয় দিশসমূহ গৱেষণা গ্ৰন্থখনত অন্তৰ্ভুক্ত হৈছে। এই ক্ষেত্ৰত মৃৎশিল্প, বাঁহ-বেত-কাঠ শিল্প, বয়ন শিল্প আৰু ধাতু-শিল্পৰ বিবিধ শিল্পজাত সামগ্ৰীসমূহক অধ্যয়ন-পৰিসৰত সামৰি লৈছে।

**০.৭.৩ বৰপেটা জিলাৰ লোকশিল্প বিষয়ক বিভিন্ন গ্ৰন্থ আৰু প্ৰবন্ধ ঃ**

উদয় নাথে 'বৰপেটাৰ সাংস্কৃতিক বুৰঞ্জী' (২০০১) শীৰ্ষক গ্ৰন্থখনত বৰপেটাৰ সমাজ-সংস্কৃতিৰ আলোচনাৰে ইয়াৰ লোকশিল্পসমূহৰ বিষয়েও সম্যক পৰিচয় দাঙি ধৰিছে। এই ক্ষেত্ৰত লো-শিল্প, কাঠ-শিল্প, বাঁহ-বেতৰ শিল্প, আতচ্‌বাজী শিল্প আদি শিল্পসমূহৰ কথা উল্লেখ কৰিব পাৰি।

ধ্ৰুৱকুমাৰ তালুকদাৰৰ 'অসমৰ লোক-শিল্পকলা' (২০১১) শীৰ্ষক গ্ৰন্থখনত অসমৰ ভিন্ন স্থানত পৰম্পৰাগতভাৱে নিৰ্মিত হৈ থকা বিবিধ লোকশিল্পৰ পৰিচয় আছে। পাতনিতে লেখকে লোকশিল্পৰ সম্যক ধাৰণা সম্পৰ্কেও ব্যাখ্যা আগবঢ়াইছে। গ্ৰন্থখনত আলোচনা কৰা কুঁহিলা শিল্প, টেৰাকোটা শিল্প, জাপি শিল্প, মুখা শিল্প, কমাৰ শিল্প, মৃৎশিল্প, বাঁহ-বেত শিল্প, সোণ-ৰূপ-তাম শিল্প, বয়ন শিল্প আৰু বাদ্যযন্ত্ৰ শিল্পৰ লগতে বৰপেটাত বিশেষভাৱে নিৰ্মাণ হৈ থকা কেইবাটাও লোকশিল্পৰ পৰিচয়মূলক আলোচনা অন্তৰ্ভুক্ত কৰিছে। এই ক্ষেত্ৰত বৰপেটা জিলাৰ আতচ্‌বাজী শিল্প, হাতী দাঁতৰ শিল্প, কাঁহ-পিতল শিল্প আৰু বৰপেটা সত্ৰৰ দেৱালত কটা কাঠৰ ভাস্কৰ্য — এই শিল্পসমূহৰ নিৰ্মাণ, শৈল্পিক মৰ্যাদা, শিল্পীসকলৰ পৰিচয় আৰু তেওঁলোকৰ শ্ৰম, অৰ্থনৈতিক দিশেৰে শিল্পসমূহৰ বৰ্তমানৰ অৱস্থা আদি দিশৰ আলোচনা দাঙি ধৰিছে।

দয়ানন্দ পাঠকে 'Barpeta: A Bird's Eye View' নামৰ গ্ৰন্থখনত বৰপেটাৰ কাঠ-শিল্প, আতচ্‌বাজী শিল্প আৰু স্বৰ্ণ-শিল্পৰ বিষয়ে ৰঙীন আলোকচিত্ৰ চমু পৰিচয় আগবঢ়াইছে।

ধ্ৰুৱকুমাৰ তালুকদাৰ আৰু অন্যান্যসকলৰ সম্পাদনাত প্ৰকাশিত 'বৰপেটা সত্ৰ আৰু সংস্কৃতি' (১৯৯৬) নামৰ গ্ৰন্থখনত বৰপেটা সত্ৰকেন্দ্ৰিক সংস্কৃতিৰ বিবিধ দিশৰ প্ৰবন্ধ সংকলিত হৈছে। গ্ৰন্থখনত নৃপেন ৰয়ৰ 'বৰপেটাৰ সত্ৰ-সংস্কৃতি আৰু কাৰুশিল্প' নামৰ এটি প্ৰবন্ধৰ উপৰি পৰিশিষ্টত বৰপেটা সত্ৰৰ আতচ্‌বাজী শিল্প আৰু সত্ৰীয়া বাদ্যসমূহৰ চমু পৰিচয় অন্তৰ্ভুক্ত কৰিছে।

ভূপেন্দ্ৰ ৰায়চৌধুৰীয়ে সম্পাদনা কৰা 'বৰপেটাৰ ঐতিহ্য' (২০১০) শীৰ্ষক গ্ৰন্থত বৰপেটাৰ সাংস্কৃতিক বিভিন্ন দিশৰ একাধিক প্ৰবন্ধ সংকলিত হৈছে। এই গ্ৰন্থখনতে সন্নিবিষ্ট ধ্ৰুৱকুমাৰ তালুকদাৰৰ 'বৰপেটাৰ শিল্প-কৰ্ম' নামৰ প্ৰবন্ধটোত বৰপেটাৰ বস্ত্ৰ শিল্প, মৃৎ শিল্প, কাঁহ-পিতলৰ শিল্প, কাঠ শিল্প,

আতচ্‌বাজী শিল্প, হাতীদাঁতৰ শিল্প, স্বৰ্ণ শিল্প আৰু বাঁহ-বেতৰ শিল্পৰ বিষয়ে চমু পৰিচয় জ্ঞাপন কৰিছে।

'বৰপেটা জিলাৰ ঐতিহ্য আৰু সংস্কৃতি' (২০১৩) শীৰ্ষক ইছমাইল হোছেইনৰ সম্পাদিত গ্ৰন্থখনতো বৰপেটাৰ ঐতিহাসিক-সামাজিক-সাংস্কৃতিক বিভিন্ন দিশৰ বহু প্ৰবন্ধ সন্নিবিষ্ট হৈছে। এই ক্ষেত্ৰত ভূপেন তালুকদাৰৰ 'সৰ্থেবাৰীৰ কাঁহশিল্প আৰু ইয়াৰ সমস্যা', কমল দাসৰ 'বৰপেটাৰ মৃৎশিল্প আৰু শিল্পীৰ জীৱনত এভুমুকি', ধ্ৰুৱকুমাৰ তালুকদাৰৰ 'বৰপেটাৰ লোক-শিল্পকলাত এভুমুকি', নুৰ হোছেইনৰ 'কয়াকুছিৰ ঢাৰি-শিল্প আৰু ইয়াৰ সামাজিক দিশ' শীৰ্ষক প্ৰবন্ধকেইটা বিশেষ উল্লেখযোগ্য। আটাইকেইটা প্ৰবন্ধই নিৰ্দিষ্ট বিষয় সম্পৰ্কীয় বহুবোৰ দিশ উন্মোচিত কৰিছে।

অক্ষয় কুমাৰ মিশ্ৰৰ সম্পাদিত 'বৰপেটা জিলাৰ লোক সংস্কৃতি' (২০০৫) শীৰ্ষক গ্ৰন্থখনত বৰপেটা জিলাকেন্দ্ৰিক লোক-সংস্কৃতিৰ বিবিধ দিশৰ প্ৰবন্ধ প্ৰকাশিত হৈছে। এই ক্ষেত্ৰত অমিয়া মহন্তৰ 'মহিলাৰ বস্ত্ৰ, সাজপাৰ আৰু গহনা-গাঁঠৰি' আৰু উদয় নাথৰ 'বৰপেটা জিলাৰ লোক-সংস্কৃতিত বস্তুগত সংস্কৃতি' নামৰ দুটি বিষয়ভিত্তিক প্ৰবন্ধ সংকলিত হৈছে।

**০.৭.৪ লোকশিল্প সম্পৰ্কীয় অন্যান্য গ্ৰন্থ, প্ৰবন্ধ, নিবন্ধ, আলোচনা ঃ**

বিৰিঞ্চি কুমাৰ বৰুৱাই 'অসমৰ লোক-সংস্কৃতি' (২০০৫) শীৰ্ষক গ্ৰন্থত অসমৰ লোক-সংস্কৃতিৰ অন্যান্য দিশৰ লগতে লোকশিল্প, বাদ্যযন্ত্ৰ আৰু সাজ-পাৰ সম্পৰ্কীয় আলোচনা দাঙি ধৰিছে। বিষয় সম্পৰ্কীয় আলোচনাত তেখেতে অসমৰ মৃৎশিল্প, বাঁহ-বেত-কাঠশিল্প, হাতীদাঁত শিল্প, সোণাৰী শিল্প, পাট শিল্প আদি বিবিধ শিল্প সম্পৰ্কীয় চমু আলোচনা আগবঢ়াইছে।

জেছলীন ধামিজাৰ 'ভাৰতীয় লোককলা আৰু হস্তশিল্প' (১৯৮১) শীৰ্ষক যুগল দাসে অনুবাদ কৰা গ্ৰন্থখনত ভাৰতীয় প্ৰেক্ষাপটত লোককলা আৰু হস্তনিৰ্মিত লোকশিল্পৰ বিষয়ে সাধাৰণ আলোচনা দাঙি ধৰিছে। এই ক্ষেত্ৰত বস্ত্ৰশিল্প আৰু আ-অলংকাৰ শিল্পৰ আলোচনাৰ প্ৰসংগত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ জনজাতীয় বয়নশিল্প আৰু গহনা-গাঁঠৰিৰ কথা উল্লেখ কৰিছে।

'অসমৰ লোককলা' (১৯৬৮) শীৰ্ষক যুগল দাসৰ গ্ৰন্থখনত অসমৰ লোকশিল্পৰ প্ৰায়বোৰ দিশ আলোচিত হৈছে। গ্ৰন্থখনত মাটিৰ পাত্ৰ আৰু পুতলা, বাঁহ-বেত-কাঠ শিল্প, মুখা শিল্প, অসমৰ গহনা-গাঁঠৰি, বাদ্যযন্ত্ৰ, পুতলা নাচৰ পুতলা, ধাতুৰ পাত্ৰ, বয়ন শিল্প, হাতী দাঁতৰ বিবিধ শিল্প আদি বিষয়সমূহ সামৰি এই শিল্পবোৰৰ নিৰ্মাণ-পদ্ধতি, অসমৰ স্থানবিশেষে নিৰ্মাণ হোৱা এই শিল্পজাত সামগ্ৰীবোৰৰ পৰিচয় আৰু প্ৰয়োজন আদি বিভিন্ন দিশৰ তথ্যসমৃদ্ধ আলোচনা আছে।

প্ৰদীপ চলিহাই 'পুৰণি অসমৰ কাৰিকৰী শিল্প' (১৯৯৮) নামৰ গ্ৰন্থখনত অসমৰ হস্তনিৰ্মিত কাৰিকৰী লোককলা আৰু লোকশিল্পসমূহৰ বিষয়ে পৰিচয় দাঙি ধৰিছে। গ্ৰন্থখনত লো, পিতল, তাম,

কাঁহ, ৰূপ, সোণ আদিৰে নির্মিত ধাতুকেন্দ্রিক লোকশিল্পসমূহৰ লগতে মৃৎশিল্প, নাৱৰ নির্মাণ, কাপোৰত ৰং বোলোৱা আদি শিল্প তথা কলাৰ বিষয়ে আলোকপাত কৰিছে।

কমলাকান্ত বৰাৰ সম্পাদিত ‘কলা-দৰ্পণ’ (২০১৩) শীৰ্ষক গ্ৰন্থখনত শিল্প আৰু কলা বিষয়ক বিভিন্নজন লেখকৰ একাধিক প্ৰবন্ধ সন্নিবিষ্ট হৈছে। গ্ৰন্থখনত চাৰুকলাৰ বিভিন্ন দিশ, যেনে ঃ চিত্ৰ, স্থাপত্য, ভাস্কৰ্য আদি বিষয়ভিত্তিক বিভিন্ন দৃষ্টিকোণেৰে লিখা বহুকেইটা প্ৰবন্ধ অন্তৰ্ভুক্ত হোৱাৰ লগতে অসমৰ লোকশিল্প বিষয়ক বিভিন্ন লেখকৰ কেইবাটাও প্ৰবন্ধ পোৱা গৈছে। এই ক্ষেত্ৰত নীৰেন মালাকাৰৰ ‘অসমৰ লোকশিল্পৰ তাৎপৰ্য’ নামৰ প্ৰবন্ধত অসমৰ প্ৰধান লোকশিল্পসমূহৰ সামগ্ৰিক পৰিচয় প্ৰকাশ পাইছে। এই ক্ষেত্ৰত মৃৎশিল্প, বাঁহ-বেত-কাঠ-কুঁহিলা শিল্প, হাতী দাঁতৰ শিল্প, বয়ন শিল্প, ধাতু-শিল্প আদি শিল্পজাত সম্পদসমূহৰ বিষয়ে চমুকৈ প্ৰবন্ধটোত আলোচনা কৰা হৈছে। গ্ৰন্থখনত সন্নিবিষ্ট হোৱা আন কেইটামান প্ৰবন্ধ হৈছে — ৰশ্মিৰেখা বৰাৰ ‘মুখা-শিল্পৰ আঁতিগুৰি, আহিলা আৰু নিৰ্মাণ পদ্ধতি ঃ চমু আলোকপাত’, শৰৎ চন্দ্ৰ গোস্বামীৰ ‘কাঁহশিল্প ঃ এটি চমু আলোচনা’, ছেফালী বৰুৱাৰ ‘কমাৰ শিল্প ঃ ঢেঁকৰগড়াৰ বিশেষ উল্লিখনসহ’ আৰু সুশীল কুমাৰ ৰায়ৰ ‘পশ্চিম অসমৰ কুঁহিলা শিল্প’। আটাইকেইটা প্ৰবন্ধত নিৰ্দিষ্ট শিল্পসমূহৰ নিৰ্মাণ, শিল্প-সৌন্দৰ্য, ব্যাৱহাৰিক প্ৰয়োজনীয়তা আদি বহুবোৰ দিশ উন্মোচিত হৈছে।

Soumya Manjunath Chavanএ সম্পাদনা কৰা 'SAARC Culture' (2018) নামৰ আলোচনীখনত প্ৰকাশিত গীতাঞ্জলি গোস্বামী আৰু মৌচুমী শৰ্মাৰ 'Assamese Jewellery: The Shimmering facet of Assamese Culture' নামৰ প্ৰবন্ধত অসমীয়া আ-অলংকাৰ শিল্পৰ শৈল্পিক সৌন্দৰ্য আৰু নিৰ্মাণ সম্পৰ্কীয় আলোচনা আছে।

ৰেজাউল কৰিমৰ সম্পাদনাত প্ৰকাশিত ‘কাইশা’ (২০০২) নামৰ স্মৃতিগ্ৰন্থখনত সন্নিবিষ্ট ‘চৰ-চাপৰিবাসী নাৰী সমাজত অলংকাৰ আৰু ইয়াৰ ব্যৱহাৰ’ শীৰ্ষক প্ৰবন্ধটোত লেখক কাছেমা খাতুনে চৰ-চাপৰি অঞ্চলত বসবাস কৰা ইছলামধৰ্মী মহিলাসকলৰ অলংকাৰসমূহৰ পৰিচয় আৰু ইয়াৰ ব্যৱহাৰ সম্পৰ্কে আলোচনা কৰিছে।

পূৰ্বকৃত অধ্যয়নৰ এনে সমীক্ষাৰ পৰা দৃষ্টিগোচৰ হয় যে বৰপেটা জিলাৰ লোকশিল্পৰ বিষয়ে সামগ্ৰিক অধ্যয়ন এতিয়ালৈকে হোৱা নাই। পূৰ্বকৃত কেতবোৰ গৱেষণাত বৰপেটা জিলাৰ সৰ্থেবাৰীৰ কাঁহ-পিতল শিল্প, হাতীদাঁত শিল্প, বৰপেটাৰ সত্ৰ-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰস্বৰূপ বৰপেটা সত্ৰৰ লোকশিল্প সম্পৰ্কে সুকীয়া সুকীয়াকৈ অধ্যয়ন হৈছে যদিও একত্ৰ ৰূপত কোনো পূৰ্বকৃত গৱেষণাতে বৰপেটা জিলাৰ সকলো লোকশিল্পক সামৰি বিশদ আৰু বিস্তৃত অধ্যয়ন পৰিদৃষ্ট হোৱা নাই। সেইদৰে গ্ৰন্থবিশেষে

লোকসংস্কৃতিৰ ভিন্ন দিশৰ আলোচনাৰ অংশ হিচাপে বৰপেটা জিলাকেন্দ্ৰিক কিছু কিছু লোকশিল্পৰ আভাস চকুত কৰে। আনহাতে অসমৰ দুই-এটা জাতি-জনগোষ্ঠীৰ মাজত কৰ্ষিত তথা বিকশিত লোকশিল্পৰ বিষয়ে অধ্যয়ন হৈছে যদিও অধ্যয়নাৰ্থ গৱেষণাৰ বিষয়বস্তুৰ লগত তেনেবোৰ অধ্যয়ন প্ৰত্যক্ষভাৱে সম্পৰ্কজড়িত নহয়। পূৰ্বকৃত অধ্যয়নসমূহৰ মাজত দেখা পোৱা এনে সীমাৱদ্ধতাৰ পৰিপ্ৰেক্ষিততে সত্ৰীয়া সংস্কৃতিৰ পীঠস্থানস্বৰূপ বৰপেটা জিলাৰ লোকশিল্পসমূহৰ সামগ্ৰিক দিশৰ আলোচনাক এই গৱেষণা কৰ্মত সামৰি লোৱা হৈছে। বিজ্ঞান-প্ৰযুক্তিনিৰ্ভৰ এই উত্তৰ আধুনিক কালত লোকশিল্পৰ দৰে অপৰিৱৰ্তনশীল তথা পৰম্পৰাগত শিল্প-সামগ্ৰীৰ প্ৰচাৰ-প্ৰসাৰ আৰু সংৰক্ষণ-সংবৰ্ধনৰ ক্ষেত্ৰত এনে অধ্যয়নে কিঞ্চিৎ হ'লেও সহায় আগবঢ়াব বুলি আশা কৰিব পাৰি।■■

**প্ৰসংগ টীকা ঃ**

১. নবীন চন্দ্ৰ শৰ্মা, অসমীয়া লোক-সংস্কৃতিৰ আভাস, পৃ. ৫৩

২. উল্লিখিত, পৃ. ৫৭